সংবাদ সেৱাৰে, দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩০ বছৰ, ০৭ সংখ্যা, ৩ ফাগুন, ৰবিবাৰ,১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 30: Issue No. 07 Date of Publication- 16 February 2025 Rs. 10.00/-

## আম্বানি, আদানি, টাটা গ্ৰুপৰ অধ্যক্ষসহ দেশৰ শীৰ্ষ ১০ উদ্যোগপতিয়ে অংশ ল'ব এডভান্টেজ আছাম ২.০ত




ৰঙিলী বাৰ্ত্তাসেৱা- এডভান্টেজ আছাম ২.০ৰ প্ৰস্তুতিক লৈ দিছপুৰৰ লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত মুখ্যমন্ত্ৰীয়েগৰাকীয়ে কয়- এই বিনিয়োগ সন্মিলনৰ দ্বাৰা বহুকেইটা দেশৰ আগশাৰীৰ প্ৰতিষ্ঠান অসমৰ সৈতে জড়িত হ'ব। মোৰ বিশ্বাস আন্দোলন বিবৰ্জিত শান্তিৰ অসমখনত আমি বহুদূৰ আগবাঢ়ি যাবলৈ সক্ষম হ'ম। যোৱা দুমাহৰ অভিজ্ঞতাৰ পৰা আমি ক'ব খোজো যে শান্তি স্থাপন আৰু আন্দোলন বিবৰ্জিত পৰিৱেশত যদি আমি কাম কৰোঁ, তেন্তে অসম বহু সোনকালে দেশৰ এক গ্ৰ'থ ইঞ্জিন হৈ পৰিব। মন কৰিবলগীয়া যে ২৫ ফেব্ৰুৱাৰীৰ পৰা দুদিনীয়াকৈ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত হ'ব এডভান্টেজ আছাম ২.০। ইতিমধ্যে এই সন্মিলনৰ বাবে ৩১খন দেশৰ ৰাষ্ট্ৰদূত তথা প্ৰতিনিধি উপস্থিত থকাৰ কথা স্পষ্ট হৈছে। সেয়াই নহয়, এই সন্মিলনৰ বাবে অভিলেখসংখ্যক ৭ হাজাৰ সৰু-বৰ উদ্যোগ তথা বিশিষ্ট উদ্যোগপতিয়ে নাম পঞ্জীয়ন কৰিছে। গুজৰাটৰ পাছতেই অসমৰ এই বিনিয়োগ সন্মিলনত সৰ্বাধিক পঞ্জীয়ন হোৱাটো যথেষ্ট লক্ষণীয় দিশ। মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰা অনুসৰি যোৱা দুমাহত এডভান্টেজ আছাম ২.০ক লৈ দেশৰ ভিতৰতে ২০৯খন বৈঠক অনুষ্ঠিত হৈছিল। যোৱা ৬ জানুৱাৰীত নতুন দিল্লীত ১১খন চেম্বাৰ্ছ অৱ কমাৰ্চৰ বৈঠক অনুষ্ঠিত হৈছিল। একেদৰে ৭ জানুৱাৰীত ৩১খন দেশৰ ৰাষ্ট্ৰদূতসকলৰ সৈতে বৈঠক অনুষ্ঠিত হৈছিল। তদুপৰি ৪০টা আগশাৰীৰ প্ৰতিষ্ঠানৰ প্ৰতিনিধিৰ উপস্থিতিত ৭ জানুৱাৰীত অনুষ্ঠিত হৈছিল বৈঠক। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- জাপান, দক্ষিণ কোৰিয়া আৰু

( নপৃষ্ঠাত চাওক)

## সামাজিক মাধ্যমত পত্নী এলিজাবেথক লৈ বিশেষ পোষ্ট গৌৰৱ গগৈৰ



ৰঙিলী বাৰ্ত্তাসেৱা- যোৰহাটৰ কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ পত্নী এলিজাবেথ কলবাৰ্নৰ আইএছআইৰ সৈতে সম্পৰ্ক থকাৰ অভিযোগক লৈ উত্তাল হৈ পৰিছে ৰাজ্যৰ ৰাজনীতি। বিশেষকৈ বিবাহৰ ৰচবছৰ পাছতো এলিজাবেথে ভাৰতীয় নাগৰিকত্ব গ্ৰহণ নকৰাক লৈ একাংশই প্ৰশ্ন উত্থাপন কৰিছে। উত্থাপিত অভিযোগৰ মাজতে সামাজিক মাধ্যমত পত্নীক উদ্দেশ্যি লিখা এটা পোষ্টত গৌৰৱ গগৈয়ে স্পষ্টভাৱে উল্লেখ কৰে যে তেওঁৰ পত্নী এলিজাবেথ বৰ্তমানো ব্ৰিটিছ পাছপ'ৰ্টৰ অধিকাৰী। গৌৰৱ গগৈয়ে সামাজিক মাধ্যমত পত্নী এলিজাবেথলৈ লিখা পোষ্টত লিখিছে - 'প্ৰিয় এলিজাবেথ, আজি মই তোমাক কৃতজ্ঞতা জনাইছোঁ। যোৱা কিছুদিনৰ পৰা তোমাৰ নাম চৌদিশে চৰ্চিত। আজি তোমাৰ নাগৰিকত্বৰ ওপৰত প্ৰশ্ন। বিবাহৰ পাছত সকলো ছোৱালীয়েই ঘৰ-পৰিয়াল এৰি আহে। কিন্তু তুমি মাথোঁ ঘৰ-পৰিয়ালেই নহয়, মাতৃভূমিকে এৰি আহিলা। ভাৰতলৈ আহি তুমি আমাৰ ভাষা, সংস্কৃতি, পৰম্পৰাক আঁকোৱালি ল'লা। এগৰাকী অসমীয়া বোৱাৰী হিচাপে অসমলৈ আহি তুমি আমাৰ সংস্কৃতি গ্ৰহণ কৰিলা। নাম, ভাওনা, বিহু, পূজা সকলোতে তুমি ভাগ ল'লা। কৰ্মস্থলী দিল্লীতে থাকি আমাৰ দুই সন্তানক ডাঙৰ-দীঘল কৰিছা। তোমাৰ ব্ৰিটিছ পাছপ'ৰ্ট তোমাৰ অপৰাধ নহয়। তোমাৰ অ'চিআই কাৰ্ডো কোনো নীতি-বহিৰ্ভূত নহয়। নিশ্চয়কৈ প্ৰতিগৰাকী নাৰীৰ দৰেই তোমাৰ নিজৰ মা-দেউতা আৰু নিজৰ মাতৃভূমিৰ প্ৰতি অলপ হ'লেও টান থাকিবই। নিজৰ মা-দেউতাক লগ পাবলৈ মনত হেঁপাহ থাকিবই। তুমি ৰাজনীতিৰ পৰা বহু আঁতৰত থাকা। কিন্তু আজি ৰাজনীতিয়ে তোমাকো টানি আনিছে। তুমি আইএছআই নহয়, এগৰাকী মেধাসম্পন্ন প্ৰতিভাশালী নাৰী। অসমৰ ৰাইজৰ মৰম আৰু আশীৰ্বাদৰ ওপৰত

( নপৃষ্ঠাত চাওক)

## ৪, ৫২৯ ঠিকাভিত্তিক শিক্ষকক স্থায়ী নিযুক্তি-পত্ৰ প্ৰদান মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এক অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন মহাবিদ্যালয়ত ৫৮ গৰাকী সহকাৰী অধ্যাপক আৰু ৰাজ্যৰ বিভিন্ন মাধ্যমিক বিদ্যালয়ত অতিৰিক্ত (ঠিকাভিত্তিক) শিক্ষক হিচাপে শিক্ষা ক্ষেত্ৰখনলৈ সেৱা আগবঢ়াই অহা ৪, ৫২৯ গৰাকী শিক্ষকক নিয়মীয়া শিক্ষক হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিযুক্তি প্ৰদান কৰে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ৰাজ্যৰ গুণগত শিক্ষাৰ উন্নয়নৰ লক্ষ্যৰে আৰু মাধ্যমিক বিদ্যালয়সমূহত শিক্ষকৰ অভাৱ দূৰ কৰাৰ উদ্দেশ্যে ২০১০ চনত মাহিলি ৮ হাজাৰ টকাৰ পাৰিতোষিকত চৰকাৰী আৰু প্ৰাদেশীকৃত মাধ্যমিক বিদ্যালয়সমূহত অতিৰিক্ত (ঠিকাভিত্তিক) শিক্ষক নিযুক্তি

( দুই পৃষ্ঠাত চাওক)

## গাছবাৰী হাইস্কুলত আধাঘণ্টা পলমকৈ আহিল প্ৰশ্নকাকত

ৰঙিলী বাৰ্ত্তাসেৱা- চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰথম দিনাই অথন্তৰ ঘটিল গোৰেশ্বৰৰ সমীপৱৰ্তী গাছবাৰী হাইস্কুলত। প্ৰাপ্ত তথ্য অনুসৰি গাছবাৰী হাইস্কুলৰ প্ৰধান শিক্ষক তথা কেন্দ্ৰটোৰ ভাৰপ্ৰাপ্ত বিষয়া অশোক চৌধুৰীয়ে নিৰ্ধাৰিত সময়তকৈ প্ৰায় আধাঘণ্টা পলমকৈ পুৱা ৯.২৮ বজাত প্ৰশ্নকাকত লৈ কেন্দ্ৰটোত উপস্থিত হয়। পুৱা ৯ বজাৰ পৰাই পৰীক্ষা অনুষ্ঠিত কৰাৰ সময় নিৰ্ধাৰণ কৰা হৈছিল যদিও প্ৰশ্নকাকত আহি নোপোৱাৰ বাবে শিক্ষাৰ্থীসকল বহু সময় পৰীক্ষাগৃহত বহি থাকিবলগীয়া হয়। ইয়াৰ লগে লগে তেওঁলোকৰ মাজত উদ্বিগ্নতা আৰু হতাশাৰ সৃষ্টি হোৱাৰ লগতে কেন্দ্ৰটোত উপস্থিত থকা অভিভাৱকসকল উত্তেজিত হৈ পৰে। পৰৱৰ্তী সময়ত প্ৰশ্নকাকত লৈ পলমকৈ কেন্দ্ৰটোত উপস্থিত হোৱাৰ লেগে লগে অভিভাৱকসকলে প্ৰধান শিক্ষক অশোক চৌধুৰীক আক্ৰমণ কৰে। তেওঁক আৰক্ষীয়ে উদ্ধাৰ কৰি কেন্দ্ৰটোৰ ভিতৰলৈ লৈ যায় যদিও বহু সময়লৈ কেন্দ্ৰটোত উত্তেজনাই বিৰাজ কৰি থাকে। কমলপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত তথা কামৰূপ জিলাৰ কৰৰা উচ্চ শিক্ষাখণ্ডৰ অন্তৰ্গত গাছবাৰী হাইস্কুলৰ পৰীক্ষা কেন্দ্ৰটোত পৰীক্ষাৰ্থীৰ সংখ্যা হৈছে ২৭১জন। অভিভাৱকসকলৰ মাজত সৃষ্টি হোৱা উত্তেজনাৰ ফলত সৃষ্টি হোৱা পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে পৰৱৰ্তী সময়ত বাইহাটা চাৰিআলি থানাৰ

( নপৃষ্ঠাত চাওক)

# আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰে দ্বিপাক্ষিক বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী



ৰঙিলী বাৰ্ত্তাসেৱা- আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৪৭ সংখ্যক ৰাষ্ট্ৰপতি হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পাছত ড'নাল্ড ট্ৰাম্পৰ সৈতে প্ৰথমগৰাকী বিদেশী নেতা হিচাপে দ্বিপাক্ষিক বৈঠকত মিলিত হয় ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। ফ্ৰান্স ভ্ৰমণ সামৰি দুদিনীয়া ভ্ৰমণসূচীৰে আমেৰিকা যুক্তৰাষ্টৰ ৱাশ্বিংটন ডিচিত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। বহুচৰ্চিত এই দ্বিপাক্ষিক বৈঠকত ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাজত দুয়োখন দেশৰ লগতে মধ্যপ্ৰাচ্যৰ পৰা এছিয়াৰ বিভিন্ন বিষয়ো আলোচনা হয়। প্ৰায় ৪ ঘণ্টীয়া বৈঠকত দুয়োগৰাকী নেতাৰ মাজত প্ৰতিৰক্ষা শিতানৰ পৰা বাণিজ্য, সন্ত্ৰাসবাদী তাহাউৰ হুছেইন ৰানাৰ প্ৰত্যৰ্পণ, অসামৰিক পাৰমাণৱিক চুক্তি, মধ্যপ্ৰাচ্যৰ পৰা বাংলাদেশৰ পৰিস্থিতিৰ বিষয়েও আলোচনা হয়। বৈঠকত প্ৰতিৰক্ষা শিতানত দুয়ো দেশৰ সহযোগিতাক লৈ সহমতত উপনীত হোৱাৰ লগতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা ভাৰতে এফ-৩৫ যুদ্ধ বিমান ক্ৰয় কৰাৰ চুক্তি সম্পন্ন হয়। দুয়ো দেশৰ সামৰিক সহযোগিতা, সমন্বয়ৰ সহমতত উপনীত হয়। প্ৰতিৰক্ষা সামগ্ৰী ভাৰতলৈ বিক্ৰী কৰাৰ ক্ষেত্ৰত সহমতত উপনীত হোৱাৰ লগতে জেভলিন আৰু ষ্ট্ৰাইকাৰ যুদ্ধ পদ্ধতি ক্ৰয় কৰাৰ চুক্তি সম্পন্ন হয়। প্ৰতিৰক্ষা খণ্ডত আৰডিপি চুক্তি ২০২৫ বৰ্ষতে সম্পন্ন কৰা হ'ব। আনপিনে, ভাৰতৰ শক্তিখণ্ড উন্নীত কৰাৰ ক্ষেত্ৰত আমেৰিকাৰ বিনিয়োগৰ ওপৰতো সহমতত উপনীত হয়। ভাৰত আৰু আমেৰিকাৰ ৫০০ বিলিয়ন মাৰ্কিন ডলাৰৰ লক্ষ্যৰে বাণিজ্যিক চুক্তি সম্পন্ন কৰা হয়। ইপিনে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা অবৈধ প্ৰব্ৰজনকাৰী ভাৰতীয়ক বিতাড়নৰ বিষয়টোও এই আলোচনাত স্থান লাভ কৰে। অবৈধ প্ৰব্ৰজনকাৰী ভাৰতীয়ক বিতাড়নৰ ক্ষেত্ৰত ভাৰতে পূৰ্ণ সহযোগিতা আগবঢ়াব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিশ্চিতি দিয়ে। ট্ৰাম্প আৰু মোদীৰ বৈঠকৰ অন্তত যুটীয়া সংবাদ মেলত দুয়ো দেশৰ মাজত হোৱা চুক্তি আৰু আলোচনাৰ বিতং তথ্য বিবৃতিযোগেও প্ৰকাশ কৰা হৈছে। দুয়োগৰাকী নেতাৰ আলোচনাত ২৬/১১ মুম্বাই আক্ৰমণৰ অন্যতম অভিযুক্ত তাহাউৰ হুছেইন ৰানাক প্ৰত্যৰ্পণৰ বিষয়টো উত্থাপন হয়। এই বৈঠকতে সন্ত্ৰাসবাদী ৰানাক

*( নপৃষ্ঠাত চাওক)*

# এডভান্টেজ অসম, ২.০ঃমন্ত্ৰী পৰ্যায়ৰ বৈঠক

ৰঙিলী বাৰ্ত্তাসেৱা- খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'বলগীয়া উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বিনিয়োগকাৰী আৰু আন্তঃগাঁথনি সন্মিলন 'এডভান্টেজ আছাম ২.০' প্ৰস্তুতি পূৰ্ণ গতিত চলি আছে। ৰাজ্যৰ উদ্যোগ বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বড়াৰ জনতা ভৱনৰ কাৰ্যালয়ৰ সভা গৃহত আজি উদ্যোগ মন্ত্ৰীবড়াৰ লগতে আন দুগৰাকী মন্ত্ৰী ক্ৰমে কেশৱ মহন্ত আৰু নন্দিতা গাৰ্লোছাই এডভান্টেজ আছাম ২.০ ক সৰ্বতোপ্ৰকাৰৰ সফল ৰূপায়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। উপৰি উক্ত বৈঠকত এডভান্টেজ আছাম ২.০ৰ বাবে চৰকাৰীভাৱে গঠিত প্ৰদৰ্শনী সমিতি, নিমন্ত্ৰণী সমিতি, প্ৰটোকল, ব্যৱস্থাপনা, পৰিবহন সমিতি, বাজেট সমিতি, অনুষ্ঠান স্থলী আৰু অনুষ্ঠান ব্যৱস্থাপনা সমিতিৰ সদস্য সকলৰ সৈতে মন্ত্ৰী কেইগৰাকীয়ে এক পৰ্যালোচনামূলক বৈঠকত অংশ গ্ৰহণ কৰে। বৈঠকত উদ্যোগ বাণিজ্য বিভাগৰ সচিব ড° লক্ষ্মনন এছ, আয়ুক্ত ঐনাম চৰণ কুমাৰ সিং, অসম ঔদ্যোগিক উন্নয়ন নিগমৰ সঞ্চালক মানবেন্দ্ৰ প্ৰতাপ সিঙৰ লগতে বিভিন্ন দায়িত্বত থকা উদ্যোগ তথা অন্যান্য বিভাগৰ বিভিন্ন বিষয়া কৰ্মচাৰী সকল উপস্থিত থাকে। তিনিওগৰাকী মন্ত্ৰী ক্ৰমে বড়া, মহন্ত আৰু গাৰ্লোছাই বিষয়া সকলৰ পৰা নিজ নিজ সমিতিৰ কাম কাজৰ খতিয়ান লোৱাৰ লগতে এই বৃহৎ সন্মিলনখনৰ আয়োজনত যাতে কোনোধৰণৰ ত্ৰুটি বৈ নাথায় আৰু কাম কাজ বোৰ ত্বৰান্বিত কৰাৰ বাবে যাৱতীয় পৰামৰ্শ আগবঢ়ায়। অসমৰ ঔদ্যোগিক খণ্ডত এক নতুন যুগৰ সূচনা কৰিব লগা দেশ -বিদেশৰ বহু সংখ্যক ৰাষ্ট্ৰদূত, উদ্যোগী, বাণিজ্যিক প্ৰতিনিধি আদিয়ে অংশগ্ৰহণ কৰিবলগা এই সন্মিলনত অসমৰ ঔদ্যোগিক ক্ষেত্ৰ খনৰ উত্থান বিৱৰ্তন আদিক প্ৰতিনিধিত্ব কৰাকৈ চাৰিটা হলত প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে । টাটা গ্ৰুপ, এন আৰ এল, এপিএল আদি চৰকাৰী তথা বেচৰকাৰী খণ্ডৰ বিভিন্ন উদ্যোগ প্ৰতিষ্ঠান, বিভিন্ন ষ্টাৰ্ট আপ, এম এছ এম ই প্ৰতিষ্ঠানে অংশ গ্ৰহণ কৰিব লগা এই প্ৰদৰ্শনী সন্মিলনৰ পৰৱৰ্ত্তী চাৰিদিনলৈ জনসাধাৰণৰ বাবে মুকলি থাকিব।

# সীমান্ত এলেকা যুৱ আদান-প্ৰদান কাৰ্যসূচীৰ শুভাৰম্ভ




ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰণালয়ৰ অনুমোদন সাপেক্ষে নেহেৰু যুৱ কেন্দ্ৰ সংগঠনে আৰম্ভ কৰা কাৰ্যসূচীৰ অংশ হিচাপে কামৰূপ মহানগৰ জিলা নেহেৰু যুৱ কেন্দ্ৰৰ উদ্যোগত যুৱ আৱাস, পল্টণ বজাৰ গুৱাহাটীত ১৩ ফেব্ৰুৱাৰীৰ পৰা ১৭ ফেব্ৰুৱাৰীলৈ ৫ দিনীয়া কাৰ্যসূচী অনুষ্ঠিত সীমান্ত এলেকা যুৱ আদান-প্ৰদান কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে গুৱাহাটী পৌৰ নিগমৰ পাৰিষদ ৰত্না সিং ভৰদ্বাজে। উদ্বোধনী ভাষণত পাৰিষদ গৰাকীয়ে সীমান্ত এলেকাৰ যুৱ শক্তিৰ মাজত সাংস্কৃতিক সমন্বয় আৰু ভ্ৰাতৃত্ববোধৰ বাবে আয়োজন কৰা এই কাৰ্যসূচীৰ জৰিয়তে যুৱ শক্তিৰ মাজত সাংস্কৃতিক সমন্বয় আৰু ভ্ৰাতৃত্ববোধৰ উত্তৰণ ঘটিব বুলি মন্তব্য আগবঢ়ায়। উদ্বোধনী অনুষ্ঠানত নেহেৰু যুৱ কেন্দ্ৰ সংগঠনৰ আঞ্চলিক সঞ্চালক ইং খোং গুৱাং, উপ সঞ্চালক প্ৰমথেশ চক্ৰৱৰ্তী, ৰাষ্ট্ৰীয় সেৱা যোজনা, উত্তৰ পূৱ আঞ্চলিক কাৰ্যালয়ৰ যুৱ বিষয়া স্কুল দেউৰী আৰু জামাদাৰহাট জনতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক তথা যুৱ নেতা আজিজুৰ ৰহমান উপস্থিত থাকি বক্তব্য আগবঢ়ায়। অনুষ্ঠানত নেহেৰু যুৱ কেন্দ্ৰ কামৰূপৰ জিলা যুৱ বিষয়া চয়ণ শুক্ল বৈদ্যই কাৰ্যসূচীৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে নিমন্ত্ৰিত অতিথি সকলক আদৰণি জনায়। অৰুণাচল, মিজোৰাম, মণিপুৰ, নাগালেণ্ড, মেঘালয় আৰু ত্ৰিপুৰা ৰাজ্যৰ মুঠ ২৫ গৰাকী যুৱ প্ৰতিনিধিৰ আৰু অসমৰ বিভিন্ন জনগোষ্ঠীয় যুৱক যুৱতীৰ মাজত একতা, ভাতৃত্ববোধৰ লগতে ভাষা, সাংস্কৃতিক সমন্বয়, সম্প্ৰীতিৰ আদান- প্ৰদানৰ লগতে, সমল ব্যক্তিৰ দ্বাৰা শৈক্ষিক কাৰ্য্যসূচী, যোগাভ্যাস, ক্ষেত্ৰ ভ্ৰমণ, ভাৰত জানো কুইজ আদি বিভিন্ন কাৰ্য্যসূচী অনুষ্ঠিত হ'ব বুলি নেহেৰু যুৱ কেন্দ্ৰ কামৰূপৰ গাণনিক আৰু কাৰ্যসূচী নিৰীক্ষক জীৱন চন্দ্ৰ দলে জানিবলৈ দিয়ে।

# ৪, ৫২৯ ঠিকাভিত্তিক

দিয়া হৈছিল। ২০১২ চনত এইসকল শিক্ষকৰ মাহিলি পাৰিতোষিক ১৫, ৫০০ টকাৰ পৰা ২০১৮ চনত ২০ হাজাৰ টকালৈ বৃদ্ধি কৰা হৈছিল। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ২০২০ চনৰ ১ জুলাইৰ পৰা কাৰ্যকৰী হোৱাকৈ মুঠ ৫, ২৪গৰাকী অতিৰিক্ত ঠিকাভিত্তিক শিক্ষকক নিয়মীয়া স্নাতক শিক্ষকৰ সমপৰ্যায়ৰ দৰমহা আৰু অন্যান্য সা-সুবিধা গ্ৰহণ কৰিবলৈ অনুমতি প্ৰদান কৰা হৈছিল। তেওঁলোকৰ চাকৰিৰ কাৰ্যকাল ৬০ বছৰলৈ বৃদ্ধি কৰা হয়। ঠিক একেদৰে মাদ্ৰাছা শিক্ষানুষ্ঠানসমূহতো চুক্তিমূলকভাৱে নিযুক্তি প্ৰদান কৰা ১৪০ গৰাকী অতিৰিক্ত শিক্ষককো একেধৰণে সা-সুবিধা প্ৰদান কৰা হৈছিল। ৰাজ্যৰ শিক্ষা ব্যৱস্থা অধিক শক্তিশালী কৰি তোলাৰ অংশ হিচাপে তথা ৰাজ্যৰ শিক্ষা ক্ষেত্ৰলৈ ইমান দিনে এই অতিৰিক্ত শিক্ষকসকলে আগবঢ়াই অহা সেৱাৰ স্বীকৃতি হিচাপে আজি তেওঁলোকক নিয়মীয়া শিচ্ছক্ষক হিচাপে নিযুক্তি প্ৰদান কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে। ৰাজ্যৰ শৈক্ষিক আকাশক উজ্জ্বলাই তোলাৰ বাবে সমৰ্পিত মনোভাৱেৰে কৰ্মত ব্ৰতী হ'বলৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই নিয়মীয়াকৰণ হোৱা শিক্ষকসকলক আহ্বান জনায়। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আজি নিয়মীয়াকৰণৰ লগে লগে শিক্ষক-শিক্ষয়িত্ৰীসকলে কেইবাটাও চৰকাৰী সুবিধা লাভ কৰিবলৈ সক্ষম হ'ব। ২০০৫ চনৰ পিছত নিযুক্তিপ্ৰাপ্ত চৰকাৰী চাকৰিয়ালসকলক নতুন পেন্সন আঁচনিৰে সামৰি লোৱাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। এতিয়া অহা ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱাকৈ এনপিএছৰ অন্তৰ্ভুক্ত চৰকাৰী চাকৰিয়ালসকলক দুটা শ্লেৰত ইউপিএছত অন্তৰ্ভুক্ত কৰাৰ বাবে পৰিকল্পনা গ্ৰহণ কৰা হৈছে। নিয়মীয়া চাকৰিত যোগদান কৰা শিক্ষক-শিক্ষয়িত্ৰীসকলক প্ৰথম দৰমহা পোৱাৰ লগে লগে মুখ্যমন্ত্ৰীৰ লোকসেৱক আৰোগ্য যোজনাৰ অধীনত অন্তৰ্ভুক্ত হৈ চিকিৎসা সুবিধা লাভ কৰাৰ বাবে মুখ্যমন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে আজি নিযুক্তিপ্ৰাপ্ত এইসকল শিক্ষকে জ্যেষ্ঠতাৰ ভিত্তিত অধ্যক্ষ, উপাধ্যক্ষ পদত যোগদানৰ যোগ্যতা লাভ কৰিব। এই শিক্ষকসকলে চৰকাৰৰ আপোন ঘৰ আঁচনি আৰু আপোন বাহন আঁচনিৰ লগতে ২০২৬ চনৰ পৰা পাৰস্পৰিক বদলিৰ সুবিধা লাভ কৰিব। উল্লেখ্য যে যোৱা বছৰৰ ২৬ জুলাইত অসম অতিৰিক্ত (ঠিকাভিত্তিক) শিক্ষক সন্থাৰ সৈতে ৰাজ্য চৰকাৰৰ এখন বৈঠক অনুষ্ঠিত হৈছিল। সেই বৈঠকত লোৱা সিদ্ধান্ত অনুসৰি বিদ্যালয় শিক্ষা বিভাগে চৰকাৰী আৰু প্ৰাদেশীকৃত বিদ্যালয়ৰ সেৱা নিয়মাৱলীৰ সংশোধনৰ প্ৰস্তাৱ কৰে। এই সংশোধনীয়ে অতিৰিক্ত (ঠিকাভিত্তিক) শিক্ষকসকলক নিয়মীয়া পদত নিযুক্তিৰ জৰিয়তে নিয়মীয়া কৰ্মচাৰীয়ে লাভ কৰা দৰমহা তথা সা-সুবিধা লাভ কৰিবলৈ অনুষ্ঠিত কৰা 'বিশেষ নিযুক্তি অভিযান'ত অংশ লোৱাৰ পথ প্ৰশস্ত কৰে। সেই অনুসৰি অনুষ্ঠিত কৰা 'বিশেষ নিযুক্তি অভিযান'ত ৪, ৬৪৪জন অতিৰিক্ত (ঠিকাভিত্তিক) শিক্ষকৰ ভিতৰত সৰ্বমুঠ ৪, ৫২৯জন শিক্ষকে স্নাতক শিক্ষক হিচাপে নিয়মীয়াকৰণৰ বাবে পঞ্জীয়ন কৰে। পঞ্জীয়নভুক্ত এইসকল অতিৰিক্ত (ঠিকাভিত্তিক) শিক্ষকক বিভিন্ন মাধ্যমিক বিদ্যালয়ৰ ব্যক্তিগত পদৰ বিপৰীতে ২০২৫ চনৰ ১৫ ফেব্ৰুৱাৰীৰে পৰা কাৰ্যকৰী হোৱাকৈ নিয়মীয়া স্নাতক শিক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। এই অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপৰি উচ্চশিক্ষা আৰু বিদ্যালয় শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰ, অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ উপাধ্যক্ষ ৰুক্মা গোঁহাইবৰুৱা, উচ্চ শিক্ষাৰ সঞ্চালক নয়ন কুমাৰ পাঠক, মাধ্যমিক শিক্ষাৰ সঞ্চালক মমতা হোজাই আদি উচ্চপদস্থ বিষয়াবৰ্গ উপস্থিত থাকে।

# মণিপুৰত ৰাষ্ট্ৰপতি শাসন জাৰি



ৰঙিলী বাৰ্ত্তাসেৱা- অৱশেষত গোষ্ঠীগত সংঘৰ্ষত অশান্ত মণিপুৰত জাৰি কৰা হ'ল ৰাষ্ট্ৰপতি শাসন । মুখ্যমন্ত্ৰী এন বীৰেণ সিঙে পদত্যাগ কৰাৰ প্ৰায় ৩ দিন পাছতে বৃহস্পতিবাৰে মণিপুৰত বলবৎ হয় ৰাষ্ট্ৰপতি শাসন। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে এক অধিসূচনাযোগে ৰাজ্যখনত ৰাষ্ট্ৰপতিৰ শাসন জাৰি কৰিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ অধিসূচনাত উল্লেখ কৰা মতে, ৰাজ্যখনৰ বিধানসভা নিলম্বিত কৰি ৰখা হৈছে আৰু কেন্দ্ৰীয় শাসন বলৱৎ কৰা হৈছে। অধিসূচনাত উল্লেখ কৰা মতে, ৰাষ্ট্ৰপতি (দহ পৃষ্ঠাত চাওক)

# ফ্ৰান্সৰ ৰাষ্ট্ৰপতি বিমানত ভ্ৰমণ ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- দুদিনীয়া কাৰ্যসূচীৰে ফ্ৰান্সত থকা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰনৰ সৈতে ৰাষ্ট্ৰপতি বিমানত ৰাজধানী পেৰিছৰ পৰা মাছেইলীলৈ একেলগে যাত্ৰা কৰে। ৰাষ্ট্ৰপতি বিমানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভ্ৰমণ দুয়োগৰাকী নেতাৰ প্ৰকৃত বন্ধুত্বৰ প্ৰতীক বুলি প্ৰকাশ কৰিছে ভাৰতৰ বৈদেশিক মন্ত্ৰালয়ে। পেৰিছৰ পৰা মাছেইলীলৈ ৰাষ্ট্ৰপতি বিমানত দুয়োগৰাকী নেতাই একেলগে ভ্ৰমণ কৰাৰ পিছত মাছেইলীত দুয়োগৰাকী নেতাই ভাৰতৰ নতুন কনছুলেট মুকলি কৰে। প্ৰবাসী ভাৰতীয়ৰ বিশাল উপস্থিতিত মাছেইলীত নতুন ভাৰতৰ কনছুলেট মুকলি কৰে দুয়োগৰাকী নেতাই। ভাৰত আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰীয় পতাকা লৈ এই মুকলি অনুষ্ঠানত অংশগ্ৰহণ কৰা নাগৰিকসকলে দুয়োখন দেশৰ বন্ধুত্বৰ অপূৰ্ব নিদৰ্শন দাঙি ধৰে। নতুন কনছুলেট মুকলি কৰাৰ পূৰ্বেই ৰাষ্ট্ৰপতি মেক্ৰন আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঐতিহাসিক মাজাৰ্গড় যুদ্ধ স্মাৰক (দহ পৃষ্ঠাত চাওক)

# দেশৰ শ্ৰেষ্ঠ মুখ্যমন্ত্ৰীৰ তালিকাত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা




ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ অন্যতম শ্ৰেষ্ঠ মুখ্যমন্ত্ৰীৰ তালিকাত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নাম। দেশৰ আগশাৰীৰ এক সংবাদ প্ৰতিষ্ঠানে চলোৱা সমীক্ষা মুড অৱ দ্য নেশ্যন (MOTN)ৰ অনুসৰি অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ভাৰতৰ অন্যতম শ্ৰেষ্ঠ মুখ্যমন্ত্ৰী হিচাপে স্থান দিয়া হৈছে। সমীক্ষাত ড° শৰ্মাই আকৰ্ষণীয় ৫৫.৪ শতাংশ ৰেটিঙৰ সৈতে শীৰ্ষ স্থান দখল কৰিছে। এই সন্দৰ্ভত প্ৰেৰণ কৰা এক প্ৰেছ বিজ্ঞপ্তিত উল্লেখ কৰিছে, এই সমীক্ষাই ড° হিমন্ত বিশ্ব শৰ্মাৰ ক্ৰমবৰ্ধমান জনপ্ৰিয়তা আৰু তেওঁৰ শাসনৰ উৎকৃষ্টতাক পুনৰ নিশ্চিত কৰিছে। তেওঁৰ জনপ্ৰিয়তা যোৱা দুবছৰত ক্ৰমান্বয়ে আগষ্ট ২০২৩-ত ৪৯.২ শতাংশৰ পৰা বৃদ্ধি পাই ফেব্ৰুৱাৰী ২০২৪-ত ৪৮.৬ শতাংশ আৰু আগষ্ট ২০২৪-ত ৫০.৮ শতাংশলৈ বৃদ্ধি পায়। চলিত বৰ্ষৰ ফেব্ৰুৱাৰী মাহত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ জনপ্ৰিয়তাৰ ৰেটিং ৫৫.৪ শতাংশ হয়। এই ধাৰাবাহিক উৰ্দ্ধমুখী প্ৰৱণতাই মুখ্যমন্ত্ৰী ড° শৰ্মাৰ নেতৃত্বৰ ওপৰত বৰ্ধিত বিশ্বাস আৰু ৰাজ্যখনত তেওঁৰ নীতিৰ পৰিবৰ্তনশীল প্ৰভাৱক সূচাইছে। ইয়াৰ বিপৰীতে অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডু, পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী আৰু কৰ্ণাটকৰ মুখ্যমন্ত্ৰী চিদ্দাৰামায়াই নিম্ন ফলাফল দেখুৱাইছে। ইয়াৰ দ্বাৰাই মুখ্যমন্ত্ৰী ড° শৰ্মাৰ নেতৃত্বক দল আৰু ৰাষ্ট্ৰৰ প্ৰতি ( নপৃষ্ঠাত চাওক)

# বৰদুৱাৰ বাগানত ভূমি সম্পৰ্কীয় বিশাল প্ৰতিবাদী সভা



ৰঙিলী বাৰ্ত্তাসেৱা- কামৰূপ জিলাৰ পলাশবাৰী বিধান সভা সমষ্টিৰ অসম মেঘালয় সীমান্তৱৰ্তী বৰদুৱাৰ বাগানৰ পিয়োবাৰী (কণামটকা) খেলপথাৰত বৃহস্পতিবাৰে ভূমি সম্পৰ্কীয় এখনি বিশাল প্ৰতিবাদী সভা অনুষ্ঠিত হয় । পলাশবাৰী ৰাজহ চক্ৰৰ ৰাভা হাছং এলেকাৰ অন্তৰ্গত বৃহত্তৰ ১নং বৰদুৱাৰ চাহ বাগিছা, ২নং বৰদুৱাৰ চাহ বাগিছা আৰু ৩নং বৰদুৱাৰ চাহ বাগিছাত বসবাস কৰি থকা খিলঞ্জীয়া লোক সকলোক উচ্ছেদিত কৰাৰ কূটিল ষড়যন্ত্ৰ ৰচনা কৰাৰ গুৰুতৰ অভিযোগ তুলি প্ৰতিবাদী সভাখন অনুষ্ঠিত হয়। গোবিন্দ ৰাভাৰ সভাপতিত্বত বৰদুৱাৰ বাগান ভূমি পট্টন দাবী সমিতিৰ উদ্যোগত আয়োজিত সভাখনত জ্যেষ্ঠ অধিবক্তা শান্তনু বৰঠাকুৰ, কিশোৰ কুমাৰ কলিতা, কৃষ্ণ গগৈ তথা চানডুবি পৰিষদীয় সমষ্টিৰ প্ৰাক্তন পাৰিষদ নৃপেন চন্দ্ৰ ৰাভা, আৰছু নেতা দেৱজিত নাফা, অশোক নংবাগ, কমলেশ্বৰ ৰাভা, সুভাষ চিনাল তথা আদিবাসী নেতা মানিক উৰাঙৰ উপৰি সুব্ৰত তালুকদাৰ, আদিত্য ৰাভাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে খিলঞ্জীয়া লোক সকলৰ ভূমি অধিকাৰ হকে ঐক্যবদ্ধ সংগ্ৰাম গঢ়ি তুলিবলৈ ৰাইজক আহ্বান জনাই । অঞ্চলস্থ পুৰুষ মহিলা তথা সৰ্ব সাধাৰণ ৰাইজ উপস্থিত থাকি মালিক পক্ষ হুচিয়াৰ, হেমাংগ ঠাকুৰীয়া হুচিয়াৰ, আমাক ভূমি অধিকাৰ লাগিবই আদি শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে ।

# ছিংগাপুৰৰ উপ-প্ৰধানমন্ত্ৰী গেন কিম য়ঙক সাক্ষাৎ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

ৰঙিলী বাৰ্ত্তাসেৱা- আগন্তুক এডভান্টেজ আছাম ২.০ শীৰ্ষক বিনিয়োগ আৰু আন্তৰ্গাঁথনি সন্মিলনখন সাফল্যমণ্ডিত কৰি তোলাৰ প্ৰয়াসৰ অংশ হিচাপে সাম্প্ৰতিক ছিংগাপুৰ ভ্ৰমণৰ দ্বিতীয় দিনা মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাষ্ট্ৰখনৰ উপ-প্ৰধানমন্ত্ৰী গেন কিম য়ঙক সাক্ষাৎ কৰে। ছিংগাপুৰৰ উপ-প্ৰধানমন্ত্ৰীৰ সৈতে হোৱা এই বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই ভাৰত আৰু আছিয়ান দেশসমূহৰ মাজৰ ক্ৰমবৰ্ধিত অংশীদাৰিত্বত অসমে গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা উল্লেখ কৰি ছেমিকণ্ডাক্টৰ, দক্ষতা আৰু সেউজ শক্তি তথা উদ্ভাৱন আধাৰিত উদ্যোগৰ অন্যতম কেন্দ্ৰ হিচাপে অসমক পৰিগণিত কৰাৰ দিশত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা আন্তৰিক পদক্ষেপৰ কথা ব্যক্ত কৰে। অসম আৰু ছিংগাপুৰৰ মাজত থকা সম্পৰ্ক অধিক শক্তিশালী কৰাৰ দিশত দেখুওৱা দায়বদ্ধতাৰ বাবে এই বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাষ্ট্ৰখনৰ উপ-প্ৰধানমন্ত্ৰীগৰাকীক কৃতজ্ঞতা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই ছেমিকণ্ডাক্টৰ উদ্যোগৰ মূল অংশীদাৰসকলৰ সৈতেও এক গুৰুত্বপূৰ্ণ তথা ফলপ্ৰসু বৈঠকত মিলিত



হয়। এই বৈঠকত অংশগ্ৰহণ কৰা টাটা ইলেক্ট্ৰ'নিক্স, ফুজি মেচিন মেন্যুফেকচাৰিং, কী চাইট টেক, নৰ্ডচন কৰ্প, লিনটেক কৰ্প, কহু ইংক, ইক'টফ্ট, টপ্পান ফট'মাস্ক, ছিংগাপুৰ বিজনেছ ফেডাৰেচন আৰু ইণ্ডিয়ান অছিয়ান গোটৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে বৈঠকত মন্তব্য কৰে যে এডভান্টেজ আছাম ২.০ শীৰ্ষক সন্মিলনত বিশ্বাসযোগ্য যোগান শৃংখল আৰু সংযোগৰ জৰিয়তে অসমক ছেমিকণ্ডাক্টৰ হাবলৈ ৰূপান্তৰ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ অসম চৰকাৰে পৰিকল্পনা গ্ৰহণ কৰিছে। এই বৈঠকত অংশগ্ৰহণ কৰাৰ বাবে ছিংগাপুৰৰ ছেমিকণ্ডাক্টৰ উদ্যোগৰ মূল অংশীদাৰসকলক কৃতজ্ঞতা জ্ঞাপন কৰি তেওঁলোকে এডভান্টেজ আছাম ২.০ শীৰ্ষক সন্মিলনত অংশগ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই আশা প্ৰকাশ কৰে। ছিংগাপুৰ ভ্ৰমণকালতে মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাষ্ট্ৰখনত এখন ৰোড শ্ব'তো অংশগ্ৰহণ কৰে। ২০০তকৈ অধিক প্ৰতিষ্ঠানৰ ব্যৱসায়িক নেতৃবৃন্দই অংশগ্ৰহণ কৰা এই ৰোড শ্ব'ত মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰতিগৰাকী সম্ভাব্য বিনিয়োগকাৰীক ব্যক্তিগতভাৱে সাক্ষাৎ কৰি এডভান্টেজ আছাম ২.০ত অংশগ্ৰহণ কৰি অসমে আগবঢ়োৱা বিভিন্ন সুযোগ-সুবিধা অন্বেষণ কৰিবলৈ আমন্ত্ৰণ জনায়। বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমৰ ভৌগোলিক স্থিতিৰ সুবিধা, ছিংগল উইণ্ড' ক্লীয়াৰেন্স, সঠিক উদ্‌গনি, উন্নত আইন-শৃংখলা আৰু শৃংখলাবদ্ধ কৰ্মচাৰীসকল অসমৰ ( নপৃষ্ঠাত চাওক)

# বঙাইগাঁও আৰু চিৰাঙত বীৰ চিলাৰায় দিৱসৰ কেইবাটাও অনুষ্ঠানত মন্ত্ৰী পীযুষ হাজৰীকা



ৰঙিলী বাৰ্ত্তাসেৱা- অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ, জলসম্পদ, তথ্য আৰু জনসংযোগ ইত্যাদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকাই বঙাইগাঁও আৰু চিৰাং জিলা ভ্ৰমণ কৰি কেইবাটাও স্থানত বীৰ চিলাৰায় দিৱসৰ অনুষ্ঠানত অংশ গ্ৰহণ কৰে। প্ৰথমতে মন্ত্ৰী হাজৰীকাই বঙাইগাঁও জিলাৰ কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ সচিবালয় প্ৰাংগণত ৫১৫ সংখ্যক বিশ্ব মহাবীৰ চিলাৰায় দিৱস উদযাপন কাৰ্যসূচীত উপস্থিত হৈ বিশ্ব মহাবীৰ গৰাকীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পন কৰি শ্ৰদ্ধাঞ্জলি জনায়। এই অনুষ্ঠানত বক্তব্য ৰাখি সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ মন্ত্ৰীগৰাকীয়ে কয় যে আমাৰ ইতিহাসৰ যিকেইগৰাকী বীৰ যোদ্ধাৰ পৰাক্ৰমৰ কাহিনী ভৌগোলিক পৰিসীমাৰ বাহিৰলৈ ব্যাপ্ত হৈ আছে, তেওঁলোকৰ ভিতৰত বীৰ চিলাৰায় অন্যতম। বীৰ চিলাৰায় আমাৰ বাবে পৰাক্ৰম, (দহ পৃষ্ঠাত চাওক)

# মঙলদৈৰ গান্ধী ময়দানত ৫১৫ সংখ্যক বিশ্ব মহাবীৰ চিলাৰায় দিৱস



ৰঙিলী বাৰ্ত্তাসেৱা- অসমীয়া জাতি গঠন প্ৰক্ৰিয়া ত্বৰাম্বিত কৰাৰ দিশত যিসকল পুৰোধা ব্যক্তিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে সেই সকলৰ সকলৰ অন্যতম হৈছে বিশ্ব মহাবীৰ চিলাৰায়। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত দৰং জিলা প্ৰশাসন, কোচ ৰাজবংশী উন্নয়ন পৰিষদ আৰু সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ সহযোগত মঙলদৈৰ গান্ধী ময়দানত ৫১৫ সংখ্যক বিশ্ব মহাবীৰ চিলাৰায় দিৱসৰ কেন্দ্ৰীয় ভাৱে আয়োজিত কাৰ্যসূচীত মুখ্য অতিথি হিচাপে প্ৰদান কৰা ভাষণত অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই এইদৰে কয়। বিশ্ব মহাবীৰ চিলাৰায় এগৰাকী বহুধা বিভক্ত গুণ সম্পন্ন ব্যক্তি বুলি উল্লেখ কৰি সাংস্কৃতিক মন্ত্ৰী বড়াই কয় যে ভাষা, সাহিত্য, সংস্কৃতি, আধ্যাত্মিকতা আৰু সমাজিক সংস্কাৰৰ দিশত বীৰ চিলাৰায়ে দেখুৱাই (দহ পৃষ্ঠাত চাওক)

# আগছিয়াৰ পলাশবাৰী আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ নতুন গৃহৰ আধাৰশিলা স্থাপন মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- পূৰ্বৰ পশ্চিম গুৱাহাটীৰ তথা সমষ্টি পুনৰ গঠনৰ পাছত নতুনকৈ জালুকবাৰী বিধানসভা সমষ্টিত অন্তৰ্ভুক্ত হোৱা আজাৰা ৰাজহ চক্ৰ এলেকাৰ আগছিয়াস্থিত পি এম শ্ৰী পলাশবাৰী আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ত পুৱাৰ ভাগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত হৈ লোক নিৰ্মাণ বিভাগৰ গ্ৰাম্য আন্তঃগাথঁনি উন্নয়ন পুঁজিৰে প্ৰায় সাত কোটি টকা ব্যয় সাপেক্ষে নতুনকৈ নিৰ্মাণ হব লগা গৃহৰ আধাৰশিলা স্থাপন কৰে। কম সময়ৰ বাবে উপস্থিত হোৱা মুখ্যমন্ত্ৰী গৰাকীয়ে আধাৰশিলা স্থাপনৰ পিচতেই সাংবাদিকক সম্বোধন কৰে। বহু প্ৰত্যাশিত গুৱাহাটীৰ ৰিং ৰোডৰ কাম অহা দুমাহৰ (দহ পৃষ্ঠাত চাওক)

# ষষ্ঠ শ্ৰেণীৰ পাঠ্যপুথি সংযোজন হ'ল চৰিত্ৰ পাঠ

ৰঙিলী বাৰ্ত্তাসেৱা- শিক্ষা বিভাগে অৱশেষত ষষ্ঠ শ্ৰেণীৰ পাঠ্যপুথি সংযোজন ঘটালে চৰিত্ৰ পাঠ। ৭টা নতুন জনগোষ্ঠীয় ভাষাত পাঠ্যপুথি যুগুত কৰাৰ পাছত শিক্ষা বিভাগে এক দীঘলীয়া বিবৃতিৰ অন্তত চৰিত্ৰপাঠ পাঠ্যক্ৰম সংযোজন কৰা বিষয়টোৰে বিশেষ তাৎপৰ্য বহন কৰিছে। ছাত্ৰ-ছাত্ৰীক মানসিকভাৱে শক্তিশালী কৰা তথা চাৰিত্ৰিক দিশ উন্নত ঘটোৱাৰ লক্ষ্যৰে এতিয়াৰে পৰা নৈতিকতা আৰু মূল্যবোধৰ আধাৰত প্ৰস্তুত কৰা চৰিত্ৰপাঠ পাঠ্যক্ৰম সংযোজন কৰা হ'ব। অৱশ্যে চলিত শিক্ষাবৰ্ষৰ পৰাই কেৱল অসমীয়া ভাষাতহে ষষ্ঠ শ্ৰেণীৰ পৰা চৰিত্ৰ পাঠৰ সংযোজন ঘটোৱা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰা অনুসৰি পৰৱৰ্তী শিক্ষাবৰ্ষৰ পৰা প্ৰতিটো ভাষাত চৰিত্ৰপাঠৰ পাঠ্যক্ৰম সংযোজন ঘটোৱা হ'ব। উল্লেখ্য যে চলিত শিক্ষাবৰ্ষৰ পৰাই নতুন শিক্ষা নীতি অনুসৰি প্ৰস্তুত কৰা হৈছে পাঠ্যক্ৰম। এই লক্ষ্যৰে তৃতীয় শ্ৰেণীৰ পৰা ষষ্ঠ শ্ৰেণীৰ বাবে সম্পূৰ্ণ নতুন পাঠ্যক্ৰম যুগুত (দহ পৃষ্ঠাত চাওক)

# ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ নতুন অধিনায়কৰ নাম ঘোষণা



ৰঙিলী বাৰ্ত্তাসেৱা- বহু চৰ্চাৰ অন্তত ঘোষণা কৰা হ'ল ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলৰ অধিনায়কৰ নাম। তাৰকা ক্ৰিকেটাৰ বিৰাট কোহলীৰ নাম পুনৰ এবাৰ অধিনায়ক পদৰ বাবে জল্পনা-কল্পনা চলিছিল যদিও অৱশেষত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে বেংগালুৰুত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত নতুন অধিনায়কৰ নাম ঘোষণা কৰে। মিডল অৰ্ডাৰ বেটছমেন ৰজত পাটিদাৰক আৰ চি বিৰ নতুন অধিনায়ক হিচাপে ঘোষণা কৰে। ২০২১ চনত পাটিদাৰে আৰ চি বিত যোগদান কৰিছিল। তেতিয়াৰ পৰাই আৰ চি বিৰ হৈ খেলিয়েই আছে। আই পি এল ২০২৫ৰ মেগা নিলামৰ পূৰ্বে (দহ পৃষ্ঠাত চাওক)

# অগ্নিদগ্ধ হৈ নাট্যকৰ্মী,নাটপৰিচালক জয়ন্ত দত্ত ডিব্ৰুগড়ত চিকিৎসাধীন



ৰঙিলী বাৰ্ত্তাসেৱা- ওৱেটো জীৱনটো নাটকৰ স'তে কটোৱা, ঘৰ-সংসাৰ-পৰিয়াল সকলোৰে উৰ্দ্ধত নাটকক জীৱন্ত কৰি তুলি ধৰি আজীৱন নাট্য চৰ্চা কৰা নাট্য শিল্প জয়ন্ত দত্ত অগ্নিদগ্ধ হৈ অসম চিকিৎসা মহাবিদ্যালয়ৰ প্লাষ্টিক চাৰ্জাৰী বিভাগত চিকিৎসাধীন হৈ আছে। যোৱা প্ৰায় পাঁচ মাহৰ আগতে নিজৰ ঘৰতে হোৱা এক দুৰ্ঘটনাত তেখেত অগ্নিদগ্ধ হৈছিল। পিন্ধি থকা কাপোৰত পিছফালৰ পৰা জুই লাগি যোৱাত পিঠিৰফালতো হাতলৈকে জ্বলি গৈছিল। বৰ্তমান জ্বলা অংশ শুকাই যোৱাত তেখেতৰ স্বাভাৱিক জীৱন যাত্ৰাত অসুবিধা হৈছে আৰু যোৱা ১১ ফেব্ৰুৱাৰীত (দহ পৃষ্ঠাত চাওক)

# স্বাস্থ্যমন্ত্ৰী অশোক সিংহলৰ সংবাদমেল



ৰঙিলী বাৰ্ত্তাসেৱা- স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে জনতা ভৱনত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ কাম-কাজৰ এক সামগ্ৰিক পৰ্যালোচনা কৰে। বৈঠকৰ পাছতেই এক সংবাদমেল সম্বোধন কৰি তেওঁ কয় যে যোৱা ১০ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰীয় পেলু নিৰ্মূলীকৰণ দিৱস উদযাপন কৰাৰ পাছত বিদ্যালয় আৰু অংগনৱাড়ী কেন্দ্ৰত পঞ্জীয়নভুক্ত এক বছৰ বয়সৰ পৰা ১৯ বছৰ বয়সৰ সকলো শিশুক সামৰি অহা ১৭ ফেব্ৰুৱাৰী পৰ্যন্ত ৰাজ্যৰ ৮৭, ৭৪, ৫৪৮ টি শিশুক পেলুৰ ঔষধ সেৱন কৰোৱাৰ লক্ষ্য স্থিৰ কৰা হৈছে। তাৰ ভিতৰত যোৱা দুদিনত ৩২, ৩২, ৯৮৮ টি শিশুক ঔষধ খুওৱা হৈছে। এই অভিযানৰ অধীনত ৰাজ্যৰ ৪১, ১৯২ খন বিদ্যালয় আৰু ৬১, ৭৩৮ টা অংগনৱাড়ী কেন্দ্ৰ সামৰি লোৱা হব। আনহাতে, ৰাষ্ট্ৰীয় যক্ষ্মা নিৰ্মূলীকৰণ অভিযানৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে এই অভিযানৰ অধীনত যোৱা মাহত ৪৩ লাখ লোকক যক্ষ্মাৰোগৰ পৰীক্ষা কৰা হৈছে আৰু এই পৰ্যন্ত ৪০০০ নতুন ৰোগী চিনাক্ত হৈছে। সেইদৰে যোৱা ১ জানুৱাৰীৰ পৰা আৰম্ভ হোৱা ইউ-উইন পৰ্টেলৰ জৰিয়তে বিগত মাহত ৪২ শতাংশ সফলতাৰে ২১, ২১০ টি শিশুক টীকাকৰণ কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। আন (দহ পৃষ্ঠাত চাওক)

# স্বমত

জ্যোতি খাটনিয়াৰ



১. অন্তৰ্মুখী যাত্ৰা
২. মনৰ কিতাপ

এতিয়া গ্ৰন্থৰ ঋতু। ৰাজ্যখনৰ কেউফালে সকলো শিক্ষিত মানুহৰ হাততেই নতুন কিতাপৰ গোন্ধ লাগি থকাৰ সময়। সত্যনাথ বৰা তাহানিয়েই কৈ গৈছিল যে পুথি অধ্যয়ন থুপাই থোৱা বিদ্যাৰ লেখীয়া। কিন্তু অকল কিতাপেই নহয়, প্ৰতিগৰাকী মানুহেই জীৱনত অহৰহ কিবা নহয় কিবা পঢ়ি থাকে। মানুহৰ লগত কথা পাতোতে, বজাৰ সমাৰ কৰোঁতে, বস্তুৰ দৰ দাম কৰোঁতে, দোকান দিওতে, কাৰ্য্যালয়লৈ যাওঁতে দৰাচলতে এই পঢ়া কামটো চলি থাকে। মানুহে নিজৰ জীৱনটোকো অহৰহ পঢ়ি থাকে। অহৰহ মানুহে কিবালৈ অপেক্ষা কৰি থাকে। বয়সত, স্বাস্থ্যজনিত কাৰণত হুইলচেয়াৰত বা বিছনাত থাকিবলগীয়া মানুহৰ মনেও এই পঢ়া কামটো কৰি থাকে। এই পঢ়াৰ প্ৰকৃতি বেলেগ। শিক্ষানুষ্ঠানত পঢ়ি মাৰ্কশ্বিট যোগাৰ কৰাৰ সৈতে এই পঢ়াক পোনপটীয়াকৈ তুলনা কৰিব নোৱাৰি। বহু সময়ত স্মৃতিৰ বাটেদি এনেকুৱা পঢুৱৈ নামি যাবলগীয়া হয়। অশীতিপৰ এজন লোকে স্মৃতিৰ জগতত ভুমুকিয়াই চাব খোজে তেওঁ জীৱনত কি কৰিলে কি নকৰিলে।

প্ৰগতিৰ লগে লগে এনেদৰে জীৱনক পঢ়াৰ ক্ষেত্ৰত পৰিৱৰ্তন নামি আহিল। সমাজৰ বিভিন্ন স্তৰতো এই পৰিৱৰ্তন প্ৰতিফলিত হ'ল। বহু হাজাৰ বছৰ আগেয়ে গুহাৰ বাহিৰত, জুইৰ কাষত জীৱনটোক পঢ়িবলৈ আৰম্ভ কৰিছিল। আজি কল্পনা কৰিব নোৱাৰা এই সহজ সৰল জীৱনত মানুহে এনেদৰে পঢ়িবলৈ লোৱা বিষয়বোৰ আছিল একেবাৰে সহজ। সেয়া আছিল, দিনটোৰ শেষত, ৰাতিৰ সময়ত হয়তো চিকাৰ কৰি অহা মানুহৰ কাহিনী। পৃথিৱীৰ বহু প্ৰাচীন গুহা চিত্ৰত সেই সময়ৰ মানুহৰ মনৰ বতৰা সংৰক্ষিত হৈ আছে। প্ৰখ্যাত ইতিহাসবিদ আৰু প্ৰত্নতাত্ত্বিক ভি গৰ্ডন চাইল্ডে আঙুলিয়াই দিছে এই সময়ৰ এখন সমাজত যাঠীজনমানহে পৰিয়াল আছিল। সভ্যতাৰ এই স্তৰত মানুহে নিজকে বিশেষ মৌলিক প্ৰশ্ন সোধাৰ প্ৰস্তুতি নাছিল। জীৱন আৰু জগতৰ পক্ষে গভীৰ সৃষ্টিমূলক দৃষ্টি গঢ়ি উঠাৰ সেয়া সময় নাছিল। ফলস্বৰূপে, জটিল চিন্তাৰ কথা সেইখিনি মানুহৰ মাজত বিচাৰি পোৱাৰ কথা আহিবই নোৱাৰে। আধুনিক মানুহে অহৰহ জটিলতাৰ সন্মুখীন হৈ থাকে। এই জটিলতা অকল আধুনিক মানুহৰ বুলি ভাবিলে অৱশ্যে বৰ এটা শুদ্ধ কথা নহ'ব। কাৰণ আজিৰ পৰা প্ৰায় ২৫০০ বছৰ আগতেও মানুহ এনেবোৰ সমস্যাৰ সন্মুখীন হৈছিল। তাৰ উত্তৰ দিয়াৰ প্ৰয়াসো কৰিছিল। ইয়াৰ সৰ্বোত্তম উদাহৰণটো হ'ল গৌতম বুদ্ধ। পূৰ্ণিমাৰ এটা বিশেষ ৰাতি সংসাৰৰ দুখৰ কাৰণ বিচাৰি খ্ৰীষ্টপূৰ্ব ছয় শতিকাত বুদ্ধই এক বিশেষ জ্ঞান অৰ্জন কৰিছিল। বাৰ্ধক্য, জৰা, মৃত্যু, সুখ-দুখ আদিৰ মূল কাৰণ তেওঁ বিচাৰি পাইছিল তৃষ্ণা (desire)ৰ মাজত। অহৰহ চলি থকা বাসনাই মানুহক সমস্যাত পেলাই বুলি বুদ্ধই সিদ্ধান্ত গ্ৰহণ কৰিছিল। দুখ (suffering) আৰু অজ্ঞতা (ignorancek)ই মানুহ খেদি ফুৰে। ইয়ে আছিল বুদ্ধৰ মত। তেওঁ চাৰিটা মহান সত্যৰে নিজৰ মতবাদক প্ৰতিষ্ঠা কৰিছিল। এক, জীৱন দুখ আছে। দুই, দুখৰ কাৰণ আছে। তিনি, দুখ ৰোধ কৰিব পাৰি। চাৰি, দুখ ৰোধ কৰাৰ উপায় আছে। এই চাৰিটাক 'আৰ্যসত্য চতুষ্টয়' বুলি কোৱা হয়। এই চাৰিটা সত্যই হ'ল বৌদ্ধ চিন্তাৰ আধাৰ। বৌদ্ধই কেইটামান কথা নতুন ধৰণেৰে কোৱাৰ প্ৰয়াস কৰিলে। প্ৰথম কথাটো হ'ল মানুহৰ জীৱনত সম্ভাৱনাৰ দুৱাৰ তেওঁ খুলি দিলে; যন্ত্ৰণাৰ মাজত ককবকাই থকা মানুহে দেখিলে যে ইয়াৰ পৰা উদ্ধাৰ পোৱাৰ এটা বাট আছে। ধৰ্মীয় গোড়ামীৰ পৰা বা বিভিন্ন পূজা পাতলৰ পৰা মানুহে আঁতৰি ইফালে সিফালে মূৰ তুলি চোৱাৰ বাট দেখিলে। মানুহে উৎকণ্ঠিত হৈ থকা এটা পৰিস্থিতিৰ পৰা নিজকে আঁতৰ কৰিব পাৰিলে। ইয়াৰ বাবে মানুহে এক অন্তৰ্মুখী জীৱন (inner life) কটাবলৈ সক্ষম হ'ল। দুটা কথা মানুহে বুজিব উঠিল। প্ৰথমটো হ'ল ধৰ্মীয় শৃংখলতাৰ গুৰুত্ব আৰু দ্বিতীয়টো হ'ল মানৱ প্ৰকৃতিৰ সংকিৰ্ণতাক অতিক্ৰম কৰাৰ সম্ভাৱনা।

বৌদ্ধ চিন্তাত কোৱা হ'ল যে নিজৰ অজ্ঞতাৰ বাবেই মানুহে যন্ত্ৰণা ভোগে। তৃষ্ণা আৰু যন্ত্ৰণাৰ আঁৰত এই অজ্ঞতা লুকাই আছে। অজ্ঞতা আৰু মানুহৰ মিছা আকাংক্ষাৰ একেটা মুদ্ৰাৰেই ইপিঠি সিপিঠি বুলি কোৱা হৈছে। বাইবেলতো এনে ধৰণৰ চিন্তাকে ডাঙি ধৰা হৈছে। বাইবেলৰ নিউ টেষ্টামেণ্টে ক'ব খুজিছে যে অজ্ঞতাৰ কাৰণেই মানুহ ঈশ্বৰৰ পৰা আঁতৰি থাকে। অজ্ঞতাই মানুহক, বাইবেলৰ মতে, নানান পাপত লিপ্ত কৰে। মানুহক কৰি তোলে লোভী। ইয়াৰ পৰা মানুহে নিজকে আঁতৰ কৰিবৰ কাৰণে জ্ঞান আৰু ইচ্ছাৰ প্ৰয়োজন আছে। এই ক্ষেত্ৰত ভাৰতীয় চিন্তাত চেতনাৰ কথা কোৱা হৈছে। জাপানী চিন্তাবিদ হাজিমে নাকামুৰা (Hajime Nakamura; ১৯১২-১৯৯৯) ই কৈছে যে ভাৰতীয় চিন্তাত জ্ঞান আৰু ইচ্ছা, ইটোৰে সিটোৰ সৈতে এনেদৰে সাঙোৰ খাই আছে যে ইহঁতক পৃথক কৰি চোৱাটো বৰ কঠিন। তেওঁ ভাৰতীয় চিন্তাৰ চেতনাৰ অৰ্থই জ্ঞান আৰু ইচ্ছা দুয়োটাকে সমানে সাঙুৰি লৈছে বুলি কৈছে। জ্ঞানক, এই ক্ষেত্ৰত অতি সহজ অৰ্থত, কথা এটা বুলি পোৱা বুলি ভাবিব পাৰি। তেনে অৰ্থত এজন ব্যক্তিয়ে যদি জ্ঞান অৰ্জন কৰে, তেনেহলে তেওঁৰ ইচ্ছাসমূহ নিয়ন্ত্ৰিত হয়(control of the will) আৰু তেওঁ যন্ত্ৰণাৰ পৰা মুক্তি লাভ কৰে। প্ৰশ্ন হয়: জ্ঞানী ব্যক্তি কোন? বুদ্ধৰ এই ক্ষেত্ৰত উত্তৰ অতি স্পষ্ট। যিজন ব্যক্তিয়েই জীৱনৰ জ্বলা যন্ত্ৰণাৰ আঁৰৰ কাহিনীক বুজি পায় আৰু যন্ত্ৰণাৰ পৰা মুক্তিৰ উপায় বিচাৰি পায়, তেৱেঁই জ্ঞানী। আমাৰ চুবুৰীয়া দেশ চীনৰ দাৰ্শনিক কনফুচিয়াছেও জীৱনৰ প্ৰতি ধাৰণাক ডাঙি ধৰোঁতে এনে ধৰণৰ কথাই কৈছিল। কনফুচিয়াছৰ মতে মানুহৰ আশা আকাংক্ষাৰ সৈতে জড়িত হৈ থকা লেকামবিহীন কথাবোৰে আমাক সমস্যাৰ সন্মুখীন কৰায়। কনফুচিয়াছৰ মতে মানুহৰ আশা আকাংক্ষা নিৰ্বাপিত নকৰা কৈয়ো সেইবোৰক সংশোধিত আৰু পৰিশীলিত কৰিব পাৰি।

আপোনাৰ মোৰ দৰে যিকোনো ব্যক্তিয়েই জানিব খোজে: অজ্ঞতা কি? বৌদ্ধ চিন্তাই এই ক্ষেত্ৰত মানুহে নিজৰ জীৱনলৈ ভুমুকিয়াই চোৱাৰ ওপৰতে গুৰুত্ব আৰোপ কৰিছে। বুদ্ধই তেওঁৰ প্ৰিয় শিষ্য আনন্দক তেওঁৰ মহা নিৰ্বাণৰ আগেয়ে দিয়া শেষ উপদেশত কৈছে, “তুমি নিজেই নিজৰ পোহৰ হোৱা। তুমি নিজেই নিজত আশ্ৰয় লোৱা। তুমি আন কাকো বিচাৰি নাযাবা।” বুদ্ধৰ মতে এজন ব্যক্তিয়ে যেতিয়া নৈতিকভাৱে জীৱন কটায়, তেতিয়া তেওঁৰ আগত সত্য আপোনা আপুনি উদ্ভাসিত হৈ উঠে। বাইবেলেও এনে কথাই আমাৰ আগত তুলি ধৰিছে: “God did not give us a spirit of timidity, but a spirit of power and love and self control.” আত্মাৰ শক্তিত এনে বিশ্বাস মানুহৰ দৰাচলতে নিজৰ ওপৰতে থকা বিশ্বাসৰ এটা বিশেষ ৰূপ। কিন্তু নিজকে জনা - Know thyself - ইমান সহজ নহয়। গ্ৰীক লিখক আয়ন (Ion) এ এই প্ৰসঙ্গত তাৎপৰ্যপূৰ্ণভাৱে কৈছিল যে এই কথাটো ইমানেই বিশাল যে স্বৰ্গৰ অধিপতি যিউছ দেৱতাই হে ইয়াক আয়ত্ত কৰিব পাৰে। আন কথাত ক'বলৈ গ'লে, ঈশ্বৰ বা দেৱতাৰ বাহিৰে কোনেও আত্মাক অৰ্থাৎ নিজৰ সত্তাক বুজি উঠাটো ইমান সহজ নহয়। কিন্তু তাৰ মাজতো মানুহে নিজকে বুজাৰ প্ৰয়াস কৰি আহিছে। মানুহে নিজৰ অস্তিত্বক সাব্যস্ত কৰাৰ যুগে যুগে প্ৰচেষ্টা চলায় আহিছে। গছ- গছনি ধ্বংস কৰি, প্ৰকৃতিৰ ওপৰত অবাধ তাণ্ডৱ চলায়, বিভিন্ন দেশে ইখনে সিখনক আক্ৰমণ কৰি, উগ্ৰ ধৰ্ম অসহিষ্ণুতাৰ বাতাবৰণ সৃষ্টি কৰি, গোষ্ঠীগত সংঘৰ্ষ কৰি মানুহে নিজৰ অস্তিত্বক কাৰোবাৰ চকুত অধিক শক্তিশালী ৰূপত দাঙি ধৰিব খুজিছে। এই ক্ষেত্ৰত হয়তো মানুহৰ আত্মা নাইবা স্বৰূপ সম্পৰ্কে দুটা ধাৰণাই ক্ৰিয়া কৰিছে। এটা হ'ল আপুনি- মই, তেওঁ - তুমি আদিৰ মাজেৰে প্ৰকাশিত হৈ উঠা দৈনন্দিন জীৱনৰ সৈতে জড়িত আত্মা বা মানুহ। দ্বিতীয়টো হল সুপ্ত আত্মা (Latent Self)। বৌদ্ধ চিন্তাই এই সুপ্ত আত্মাক জাগ্ৰিত কৰিবলৈ, জগাই তুলিবলৈ আমাক অহৰহ কৈ থাকে। বাইবেলত পোৱা এটা প্ৰসিদ্ধ উক্তি হ'ল: “He who is slow to anger is better than the mighty, and he who rules his spirit than he who takes a city.” চহৰ এখন শাসন কৰাতকৈ নিজৰ আত্মাক শাসন কৰা কঠিন। পেলেষ্টাইনত ইজৰাইলৰ নিৰ্বিচাৰ বোমা বৰ্ষণ, ইউক্ৰেইনৰ বিভিন্ন অঞ্চলত অহৰহ আক্ৰমণ, চুবুৰীয়া দেশ বাংলাদেশৰ ঢাকাত ধৰ্মীয় উন্মাদনা, মণিপুৰৰ গোষ্ঠীগত সংঘৰ্ষ - এই সকলোবোৰে মানৱ আত্মাৰ বিচলিত চৰিত্ৰ আৰু আমাৰ অসম্পূৰ্ণতাক বাৰে বাৰে তুলি ধৰে।

বৌদ্ধসকলৰ ধম্ম-পদত সোঁৰৱাই দিয়া হৈছে যে অসৎ কৰ্মই নিজৰেই ক্ষতি কৰে। নিজৰেই সীমাহীন শত্ৰুৰ সৃষ্টি হয়। চীনা চিন্তাবিদ মেনিকাছৰ মতে যিজন মানুহ নিজেই নিজৰ শত্ৰু, তেওঁক কোনেও সহায় কৰিব নোৱাৰে। বুদ্ধকে ধৰি পৃথিৱীৰ প্ৰায়বোৰ আগশাৰীৰ লোকে কৈছে যে যিমানেই পাপ কাৰ্য্যত এজন ব্যক্তি লিপ্ত নহওক কিয়, তেওঁৰ বাবে উদ্ধাৰৰ এটা পথ আছে। জীৱনৰ পঙ্কিলতাৰ পৰা থিয় হৈ মূৰ দাঙি চোৱাৰ এটা সুযোগ আছে। মাত্ৰ মানুহগৰাকীয়ে নিজৰ মনটোৰ ভিতৰলৈ এবাৰ চালেই হ'ল। নিজৰ মনটোৰ ভিতৰত থকা আৰু কাহানিও তেওঁ নপঢ়া কিতাপবোৰৰ পৃষ্ঠাবোৰ তেওঁ লুটিয়ালেই হ'ল। এই কিতাপ বজাৰত কিনিবলৈ পোৱা কিতাপ নহয়। কোনো বিদ্যালয়ৰ আনুষ্ঠানিক শিক্ষাই পঢ়িবলৈ শিকোৱা কিতাপো নহয়। এই কিতাপৰ পৃষ্ঠাবোৰ জীৱনৰ অভিজ্ঞতা আৰু মনৰ নিৰ্মলতাই সজাই থোৱা পৃষ্ঠা। সম্ৰাট অশোকৰ শিলালিপিত আছে যে মই এইটো ভাল কাম কৰিলো বুলি মানুহে কেৱল নিজৰ ভাল কামটোকহে দেখে। কিন্তু এইটো পাপ কৰিলো, এইটো পাপ প্ৰবৃত্তি বুলি মানুহে নিজৰ বেয়া কামটো নেদেখে। ভাল কাম, বেয়া কামত মাজত পাৰ্থক্য আৰোপ কৰিব পৰাটো প্ৰকৃতিয়ে দিয়া মানুহৰ মনৰ এক বিশেষ শক্তি। মনৰ মাজত গোপনে শুই থকা এই কিতাপৰ অধ্যয়নে আপোনাক মোক শিকোৱা কথাটো হ'ল নিজৰ কাম-কাজবোৰক অহৰহ নিৰীক্ষণ কৰি থকা। খ্ৰীষ্টিয় সন্ত মাৰ্কৰ এযাৰ কথা এই ক্ষেত্ৰত বেছ কামত অহা : “And what I say to you, I say to all: Watch.”

# গুণোৎসৱ আৰু কিছু ব্যক্তিগত অনুভৱ

গুণোৎসৱ
শিক্ষা বিভাগৰ এটি প্ৰয়াস
অসম চৰকাৰ

**ঋচীক কাশ্যপ শৰ্মা, কণিষ্ঠ অভিযন্তা**
**জলসিঞ্চন বিভাগ, গোলাঘাট**

বিশেষ দিনটোলৈ সিহঁতৰ ঔৎসুক্যপূৰ্ণ সপ্ৰতিভ মুখবোৰে বৰ আগ্ৰহেৰে বাট চাই থাকে। সিহঁত মানে মই ছাত্ৰ-ছাত্ৰী সকলৰ কথা ক'লো। অৱশ্যে তাৰ মাজতেই কিছুসংখ্যক ব্যতিক্ৰম। যেতিয়া মাৰ্বল গুটি খেলিম বা মধ্যাহ্ন ভোজনৰ লোভ দেখুৱাই শিক্ষক শিক্ষয়িত্ৰী সকলে ছাত্ৰ-ছাত্ৰীক বিচাৰি আনিব লগা হয়, তেনে পৰিস্থিতি কিমান যন্ত্ৰণাদায়ক সেয়া শিক্ষক বা শিক্ষয়িত্ৰী গৰাকীয়েহে বুজি পায়।

গুণোৎসৱৰ সেই বিশেষ দিনটোত বহিঃ মূল্যায়ক এজন সোমাই অহাৰ পৰা আৰম্ভ কৰি বিদ্যায়তনিক দিশটো পৰিদৰ্শন কৰি মূল্যাঙ্কন কৰালৈকে বিদ্যালয় খনৰ লগত জড়িত প্ৰত্যেকজন ব্যক্তিয়েই তেওঁক সমীহ কৰি চলে। আটাইতকৈ বেছি সমীহ কৰে ছাত্ৰ ছাত্ৰী সকলে। চোকা বুলি গণ্য কৰা ছাত্ৰ বা ছাত্ৰী গৰাকীয়ে যদি বহিঃ মূল্যায়কৰ সন্মুখত পঢ়িব নোৱাৰে বা অংক এটা কৰি দেখাব নোৱাৰে তাতে আকৌ বহিঃ মূল্যায়ক গৰাকীয়ে যদি প্ৰত্যেকজন ছাত্ৰ ছাত্ৰীকে মৌখিক পৰীক্ষা ল'বলৈ হয় তেতিয়া শিক্ষক শিক্ষয়িত্ৰী সকলৰ অৱস্থা গুছি কেনে দুৰৱস্থা হয় সেয়া সহজেই অনুমেয়।

মই ক'ব বিচৰা কথাটো হ'ল এজন বহিঃ মূল্যায়ক হিচাপে বিদ্যালয়খনক কি ধৰণে মূল্যাঙ্কনৰ কৰিলো, সেই দিশটোতকৈও মোৰ ওচৰত পঢ়িবলৈ আহি ভৰি কপা, বা কণমানিটেই ঘাটমাউৰা হোৱা, পেটৰ তাড়নাত তৃতীয় শ্ৰেণীৰ শিশুটোৱে বিদ্যালয় চুটিৰ পাছত কণমাণি ভনীয়েকক লগত লৈ বেপাৰত বঢ়া, মুৰত টিউমাৰ লৈ মৃত্যুৰ দুৱাৰদলিত বঢ়ি থকা মইনাজনীকে আদি কৰি নানান আৰ্তনাদ লুটুৰি পুটুৰি হৈ চৰকাৰী মাধ্যমৰ বিদ্যালয় সমূহকেই শেষ ভৰষাৰ থল বুলি গণ্য কৰা শিশুহঁতক যদি কিবা ৰসাল কৌশলেৰে বিষয়বস্তু তেওঁলোকৰ আয়ত্তত আনিবলৈ চেষ্টা কৰিব পাৰো আৰু সফলো হওঁ, সেই আনন্দ মোৰ বাবে বৰ্ণনাতীত। মোৰ বোধেৰে অজস্ৰ যন্ত্ৰণাৰে জৰ্যৰিত শিক্ষক সকলে বৰ আকুলতাৰে আগুৱাই নিয়া বিদ্যালয়কেইখনৰ পৰা কি পালোটোতকৈয়ো কি দি আহিলো সেয়া মোৰ বাবে বেছি গুৰুত্বপূৰ্ণ। মই পিছে গুণোৎসৱৰ অন্তৰ্ভুক্ত সকলো নিয়মাৱলী পালন কৰি শেষত কণ কণ ছাত্ৰ ছাত্ৰী সকলৰ সৈতে কবিতা আবৃত্তি কৰা, নাটকৰ সংলাপ প্ৰক্ষেপণ, অঞ্চলভেদে ঝুমুৰ নৃত্য, বিহু গীত নাইবা প্ৰায়ভাগ লৰা ছোৱালীৰ মনৰ কথাবোৰ বুজিবলৈ চেষ্টা কৰোঁ। কিয়নো মোৰ দৃঢ় বিশ্বাস "বোকাত পদুম ফুলিব পাৰে"। আৰু সেই পদুমক প্ৰস্ফুটিত কৰাটো আমাৰ সকলোৰে কৰ্তব্য।

এনেকৈয়ে অজানি-তে, অকস্মাতে পোৱা মৰম বা শ্ৰদ্ধাৰ টোমটোক আটোম টোকাৰিকৈ সাচি যাম বা সাচিঁ লো। শেষত স্মৃতিৰ সমাহাৰৰ পৰা চৰকাৰী মাধ্যমৰ বিদ্যালয় সমূহৰ উত্তৰণৰ কামনাৰে জ্যোতি ককাইদেউৰ ভাষাৰে ক'ব বিচাৰো

"মানুহ ফুলিব লাগিব বিকশি
কৰিব লাগিব এই
পৃথিৱীখনকে স্বৰ্গীয় সুৰভীময়,
এই পৃথিৱীলৈ আনিব লাগিব
মহত্বৰ মহাজয়।"

# ফাগুনৰ ধূলিয়ৰি বা



**বিশ্বজিৎ বৈশ্য, বংশৰ,গুৱালকুছি**

সৰা পাতে পাতে ফাগুন নামে। আৰম্ভ হোৱা ফাগুনৰ সেই ধূলিয়ৰি বা ই লৈছে নতুন ৰূপ, প্ৰাণ পাইছে ফাগুনৰ নতুনত্বৰ সুবাস। ধূলিয়ৰি নীলা আকাশ খনত ভৰি পৰিছে এজাক বলিয়া বতাহৰ খোজ। ফাগুনৰ ধূলিয়ে যেন চকুৰে মুখে সানি দি যায় এটি অবুজ গীতৰ মধুৰ সুৰ। পাতবোৰ সৰি পৰা সেই নঙঠা গছবোৰে যেন ৰিঙিয়াই মাতে, উদাসী ফাগুনক। কৈ যায় মনৰ বতৰা, দি যায় আকাশৰ ৰং। অভিমানী ফাগুনৰ সৃষ্টিৰ বীজ সিচি কঢ়িয়াই আনে নিজস্ব সৌন্দৰ্যৰ লগতে উদাস কৰে মানুহৰ মন। ফাগুন মাহৰং ৰ মাহ, এই ফাগুনৰ মাহৰ পূৰ্ণিমা তিথিতে উদযাপন কৰা হয় ৰংৰ উৎসৱ ফাকুৱা। এই ফাগুন মাহতে পলাশ, মদাৰ, শিমলুৰে আকাশৰ চৌপাশ ৰাঙলী কৰি তোলে। কঢ়িয়াই আনে অন্য এক সৃষ্টিৰ পাতনি। মাহৰ শেষৰ ফালে আকৌ নঙঠা গছ বোৰে ন- কুঁহিপাতে গজালি মেলে। শুকাই নিয়া ফাগুনৰ বাইজীপাল কৰি দি যায় বসন্তৰ আগমনৰ বতৰা। এইয়াই ফাগুন ফাগুন লগা মাদকতা।

# কলম থমকি ৰ'ল



**মুন শৰ্মা, লখিমপুৰ**


আকৌ ক'লা কবিতা লিখা,
বহু দিনেই হ'ল লিখা নাই কবিতা।
অনুৰোধত কলম তুলি লওঁ
পিছে বাৰে থমকি ৰয় হাতৰ কলম।
ভাৱনাছন্ন মনাকাশ অজস্ৰ প্ৰশ্ন
কবিতা লিখিম নেকি তোমাৰ নামত?
এটি পাগলৰ কবিতা, বিৰহ ঢালি,
চকুলো ওলাই যাব, বিচৰা নাই লিখিব মই
বিচ্ছিন্ন প্ৰেমৰ বিষন্নতাৰ আলাপ
বিষাদ প্ৰেমৰ চাবুকৰ কোব বোৰ পাহৰা নাই
জোনাকী ৰজনী ত সোঁৱৰণী বুকুত,
কলিজাই ফেঁকুৰি কৰা আৰ্তনাদ,
তুমি জানো শুনিব পাৰিবা?
নিলাজ হৃদয় আকুল আহ্বান,
আকৌ উপলুঙা যদি আকৌ প্ৰত্যাখ্যান!
জুই কলিজাৰ উত্তাপ কিমান!
নোৱাৰিবা বুজিব তুমি যে অনুভৱী নহয়।
নিজৰ কথা বোৰো ভাবিছোঁ কিনো কওঁ...
বেয়াই লাগে তথাপি কওঁ মাত্ৰ কিছু,
আকৌ যদি বিষাপ্ত প্ৰেমৰ পিঞ্জৰাত আবদ্ধ হওঁ,
হেৰাই যাওঁ যদি মিছা সুখৰ দুনিয়াত,
যত অপেক্ষা মাথোঁ প্ৰতাৰণা প্ৰতাৰণা মাত্ৰ প্ৰতাৰণা,
উপহাৰ যদি পাওঁ আকৌ চলনা প্ৰেমৰ পৰিণতি,
কৰে নেকি উপহাস আকৌ প্ৰেমৰ পপিয়া তৰা হৈ।

# কবিতা মোৰ আপোন



**মিতালি বৰঠাকুৰ, মালিগাওঁ**


কবিতা মোৰ আপোন
নিশাৰ নিভাজ সময়ৰ মোৰ সহচৰ
সুখৰ সময়ত,
কবিতাই ৰং সানে মোৰ দুগালত
আৰু দুখৰ সময়ত কবিতা মোৰ বাবে
চেপি ধৰা চকুলোৰ আলয়।
যেতিয়া কবিতা বোৰ অস্থিৰ হৈ পৰে
তেতিয়া শব্দবোৰ দিশহাৰা হৈ হেৰাই যায়।
আবেগ, অভিমান বোৰ
কবিতাৰ ৰোহ ঘৰত সোমাই আত্ম গোপন কৰে।
পুনৰ আজুৰি আনো শব্দৰ বৰ্ণমালা
গাঁঠিব খোজো সুখ দুখৰ এধাৰি মালা
কিয়নো কবিতা মোৰ আপোন।
নীৰৱ নিশাৰ মোৰ সুখ দুখৰ সহচৰ।



জনতাৰ চৰকাৰ
my GOV मेरी सरकार
सत्यमेव जयते
অসম চৰকাৰ
'অগণন উজ্জ্বল ডেকা সুপুৰুষ
আৰু আশাভৰা দৃষ্টিৰ গাভৰুৰ মুখ'
নতুন সমাজ এয়া নতুন পুৰুষৰ
অসমীক গঢ়িব
আত্মনিৰ্ভৰ
"মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ যোগেদি অসমত নিবনুৱা সমস্যা হ্ৰাস কৰাৰ উপৰি ঔদ্যোগীকৰণৰ এক বাতাৱৰণ সৃষ্টি কৰিবলৈ চেষ্টা কৰা হৈছে। এই আঁচনিখনৰ দ্বাৰা নৱ প্ৰজন্মক নিজৰ ভৰিত থিয় হ'ব পৰাকৈ আৰ্থিক অনুদান, প্ৰশিক্ষণ আৰু বিপণনৰ সুবিধা প্ৰদান কৰা হ'ব।"
ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম
JANASANYOG- 4408/24/16-Feb-25
মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান ২.০
১.৬২ লাখ+ উদ্যোগীলৈ
২,০০,০০০/৫,০০,০০০
টকাৰ আৰ্থিক সাহায্য
শুভাশিস্য
৭৫,০০০
যুৱ উদ্যমী
১৫০০+
কোটি টকাৰ
সহায়তা
আবেদন দাখিলৰ বাবে মুকলি হ'ল প'ৰ্টেল
Empowering Assam's Youth to Become Atmanirbhar
₹2,00,000/ ₹5,00,000
The Chief Minister's Atmanirbhar Asom Abhijan 2.0
আবেদন মুকলি
১ ফেব্ৰুৱাৰী ২০২৫
লগ ইন কৰক
cmaaa.assam.gov.in
আবেদন দাখিলৰ স্তৰসমূহ
'Submit Your Application'ত ক্লিক কৰক
তথ্য পূৰ কৰক
প্ৰকল্প প্ৰতিবেদন আপলোড কৰক
'Save & Next'ত ক্লিক কৰক
বিশেষ দ্ৰষ্টব্য ■ শিৰোনামত ব্যৱহৃত দুশাৰী বাক্য ভাৰত ৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ এটি গীতৰ পৰা উদ্ধৃত কৰা হৈছে
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam | dipr.assam.gov.in

# ভাৰতীয় সংবিধান ৰচনাৰ পটভূমি

ময়ূৰী বৰগোহাঁই,
নৱম শ্ৰেণী, শিৱসাগৰ




সংবিধান হৈছে ৰাষ্ট্ৰৰ আধাৰ শিলাস্বৰূপ। সংবিধান শব্দটি, লেটিন শব্দ "consti-tute" ৰ ইংৰাজী প্ৰতিশব্দ "Constitution" ৰ পৰা উৎপত্তি হৈছে। এই "constitution" শব্দটিৰ অসমীয়া ভাঙনি হৈছে 'সংবিধান'। এই শব্দৰ অৰ্থ হ'ল গঠন বা প্ৰতিষ্ঠা কৰা। ৰোমান আইন শাস্ত্ৰৰ পৰা ৰাষ্ট্ৰীয় ক্ষেত্ৰত এই শব্দটিৰ প্ৰয়োগ কৰা হৈছে। ৰোমান আইনে এই শব্দৰ দ্বাৰা সৰ্বোচ্চ ৰাজকীয় কৰ্তৃত্বৰ কথা বুজায়।

এই সংবিধানৰ সংজ্ঞা সম্পৰ্কে বিভিন্নজন পণ্ডিতে বিভিন্ন ম'ত পোষণ কৰিছে। মাৰ্কিন আইনজ্ঞ কুলী (cooley)ৰ মতে "সংবিধান হ'ল সেইবিলাক মৌলিক নীতি আৰু নিয়মাৱলী, যিবিলাকৰ দ্বাৰা সাৰ্বভৌম ক্ষমতা প্ৰয়োগ কৰা হয়।" ঠিক তেনেদৰে লৰ্ড ব্ৰাইছে (Lord Bryce) সংবিধানৰ সংজ্ঞা নিৰূপণ কৰিছে এনেদৰে "সংবিধান হ'ল সেইবিলাক আইন আৰু প্ৰথাৰ সমষ্টি, যিবিলাকৰ দ্বাৰা ৰাষ্ট্ৰৰ জীৱন পৰিচালিত হয়।" এনেদৰে অধ্যাপক লাস্কি (Prof. Laski) এ সংবিধান সম্পৰ্কে মত পোষণ কৰিছে যে -"প্ৰত্যেক সুসংবদ্ধ ৰাষ্ট্ৰৰ একোখনকৈ সংবিধান থাকে, যাৰ দ্বাৰা চূড়ান্তভাৱে আইন অনুজ্ঞাসমূহ প্ৰণয়ন কৰা হয়।"

আধুনিক কালত প্ৰত্যেক ৰাষ্ট্ৰৰে এখন নিজস্ব সংবিধান থাকে। সংবিধান নোহোৱাকৈ ৰাষ্ট্ৰৰ অস্তিত্বৰ থকা কল্পনা কৰিব নোৱাৰি। কাৰণ সংবিধানে ৰাষ্ট্ৰৰ শাসন-ব্যৱস্থা কেনেধৰণৰ হ'ব সেই কথা নিৰ্ধাৰণ কৰে। বৰ্তমান সময়ত প্ৰতিখন ৰাষ্ট্ৰৰে একোখন সংবিধান থকাটো নিতান্তই অপৰিহাৰ্য।

প্ৰত্যেক ৰাষ্ট্ৰৰ দৰে ভাৰতবাসীৰো এক সপোন আছিল যে ভাৰতবৰ্ষও অস্বাতন্ত্ৰতাৰ শিকলি ছিঙি এদিন স্বাধীন হ'ব। বি. আৰ আম্বেদকাৰ, কে. কে মুন্সী, মৌলানা কালাম আজাদ আদিৰ দৰে ক'ত জন অভেদাত্মাৰ আৰ্হিৰ চানেকি ৰে ভাৰতবৰ্ষত স্থাপন হ'ব প্ৰজাৰ গণতন্ত্ৰ।

ভাৰতৰ সংবিধান ভাৰতীয় প্ৰজাতন্ত্ৰৰ সৰ্বোচ্চ আইন। এই সংবিধানত চৰকাৰৰ গঠন, কাৰ্যপ্ৰণালী, ক্ষমতা আৰু কৰ্তব্য নিৰ্ধাৰণ, মৌলিক অধিকাৰ, ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি আৰু নাগৰিকসকলৰ কৰ্তব্য নিৰ্ধাৰণ কৰা হৈছে। ভাৰতবৰ্ষ এনে এখন ৰাষ্ট্ৰ যত নানা জাতি, উপজাতি, বিভিন্ন ধৰ্মাৱলম্বী আৰু বিভিন্ন সংস্কৃতিৰ লোকে বসবাস কৰি আহিছে। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছত স্বতন্ত্ৰভাৱে ৰাষ্ট্ৰ পৰিচালনা কৰিবৰ বাবে এখন সংবিধানৰ প্ৰয়োজন হৈছিল। ভাৰতবাসীৰ এই সপোন বাস্তৱত ৰূপায়িত হ'বৰ বাবে কেইবাটাও পৰ্যায় অতিক্ৰম কৰিব লগা হৈছিল। অৱশেষত অশেষ কষ্টৰ বিনিময়ত ভাৰতীয় সংবিধানখন গৃহীত কৰি ১৯৫০ চনৰ ২৫ জানুৱাৰীত ইয়াক কাৰ্যবাহী কৰা হৈছিল আৰু ভাৰত পৰিচালনাৰ নথিৰূপে পৰিগণিত হৈছিল। ভাৰতৰ সংবিধানখন ভাৰতৰ সংবিধান সভাই ১৯৪৯ চনৰ ২৬ নৱেম্বৰত অনুমোদন জনাইছিল। ১৯৫০ চনৰ ১৬ নৱেম্বৰত এইখন গৃহীত হোৱাৰ ফলত ভাৰত এখন সাৰ্বভৌম গণতান্ত্ৰিক দেশ হোৱাৰ প্ৰক্ৰিয়া সমাপ্ত হৈছিল।

আমাৰ দেশৰ সংবিধানখনে কিদৰে পূৰ্ণতা লাভ কৰিলে তাৰ এটি ঐতিহাসিক পটভূমি আছে। মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা ভাৰতৰ স্বাধীনতা আন্দোলনৰ সফলতাৰ পিছত ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতে ব্ৰিটিছ শাসনৰ পৰা স্বাধীনতা লাভ কৰে। এই পদক্ষেপ "ভাৰত স্বাধীন আইন, ১৯৪৭"ৰ মতে প্ৰযোজ্য কৰা হৈছিল। এই যুক্তৰাষ্ট্ৰৰ সংসদৰ আইনখনে ভাৰতক ব্ৰিটিছ কমনৱেলথৰ দুটা নতুন স্বাধীন ডমিনিয়নত বিভক্ত কৰিছিল আৰু ষষ্ঠ জৰ্জ ৰাষ্ট্ৰপতি আৰু আৰ্ল মাউণ্টবেটেনক গৱৰ্ণৰ জেনেৰেল হিচাপে লৈ ভাৰত সাংবিধানিক ৰাজতন্ত্ৰত পৰিণত হৈছিল। স্বতন্ত্ৰ সাংবিধান অবিহনে ইয়াৰ আইনসমূহ প্ৰথমে "ভাৰত চৰকাৰ আইন, ১৯৩৫"ৰ ওপৰত ভিত্তি কৰি ভাৰতীয় সংবিধান সভাৰ দ্বাৰা পৰিচালিত আছিল।

১৮৫৭ চনত বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে প্ৰৱৰ্তন কৰা কিছুমান নীতিৰ বিৰুদ্ধে একাংশ ভাৰতীয় জনগণই বিদ্ৰোহ কৰে। ফলস্বৰূপে তাৰ পিছৰ বছৰটোত অৰ্থাৎ ১৮৫৮ চনত বৃটিছ চৰকাৰে এক আইন প্ৰণয়ন কৰি ভাৰতৰ শাসনভাৰ বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ পৰা ইংলণ্ডৰ ৰাণীৰ প্ৰত্যক্ষ শাসনলৈ নিয়ে। ইয়াৰ পিছৰে পৰা ভাৰতত আধুনিক শাসন ব্যৱস্থা গঢ়ি তুলিবলৈ বৃটিছ চৰকাৰে বিভিন্ন সময়ত কিছুমান আইন প্ৰণয়ন কৰিছিল। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পূৰ্বে ইংৰাজ চৰকাৰে সময়ে সময়ে প্ৰণয়ন কৰা এই আইনবোৰৰ যোগেদিয়ে ভাৰতবৰ্ষখন শাসন কৰিছিল। ইংলণ্ডৰ ৰাণীৰ প্ৰত্যক্ষ শাসনৰ আৰম্ভণীৰে পৰা শিক্ষিত ভাৰতীয় লোকসকলে বৃটিছ চৰকাৰখনত তেওঁলোকৰ অন্তৰ্ভুক্তিৰ দাবী কৰি আহিছিল। তেওঁলোকৰ হেঁচাৰ ফলত বৃটিছ চৰকাৰে বিভিন্ন সময়ত বিভিন্ন আইনৰ যাবা সীমিত সংখ্যক ভাৰতীয় লোকক শাসন ব্যৱস্থাত অংশ গ্ৰহণৰ বাবে পদক্ষেপ লৈছিল। আৰু সেই সময়তে ১৯২২ চনত পোন প্ৰথমবাৰৰ বাবে মহাত্মা গান্ধীয়ে দেশখনৰ বাবে ভাৰতীয়সকলে নিজে ৰচনা কৰা এখন সংবিধানৰ দাবী কৰিছিল। ইয়াৰ পিছত ১৯২৪ চনত স্বৰাজ পাৰ্টিয়েও সংবিধান ৰচনা কৰিবৰ বাবে এখন সংবিধান সভাৰ দাবী তুলিছিল। এনেদৰে সেই সময়ত ভাৰতীয়সকলৰ মাজত এখন সংবিধানৰ বাবে প্ৰবল জনমত গাঢ় লৈ উঠিছিল। ১৯২৭ চনত চাৰজন চাইমনৰ নেতৃত্বত গঠন হোৱা "চাইমন কমিচন"ৰ প্ৰতিবেদন মতে ভাৰতৰ এখন সুকীয়া সংবিধান ৰচনা কৰাত গুৰুত্ব দিয়া হৈছিল।

১৯৩৪ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ দলে এখন সংবিধান সভা গঠনৰ বাবে প্ৰস্তাৱ দিয়ে। বৃটিছ চৰকাৰে চাইমনৰ প্ৰতিবেদন গ্ৰহণ কৰাৰ সময়ছোৱাত লণ্ডনত ভাৰতৰ প্ৰতিনিধিসকলৰ লগত মতামত বিনিময় কৰিবৰ বাবে তিনিখন ঘূৰণীয়া মেজমেল অনুষ্ঠিত কৰিছিল। এই মেজমেলৰ প্ৰস্তাৱৰ ভিত্তিত ওপৰত উল্লেখ কৰা ১৯৩৫ চনৰ 'ভাৰত চৰকাৰ আইন' গ্ৰহণ কৰা হয়। এই সময়ছোৱাতে দ্বিতীয় মহাযুদ্ধৰ (১৯৩৯-১৯৪৫)আৰম্ভণিত ভাৰতীয়সকলৰ মাজত স্বাধীনতাৰ দাবী অতি সক্ৰিয় হৈ পৰিছিল। আৰু বৃটিছ চৰকাৰেও তেওঁলোকৰ যুদ্ধৰ প্ৰস্তুতিত ভাৰতীয়সকলৰ সমৰ্থন লাভ কৰাৰ উদ্দেশ্যে ১৯৪০ চনত 'আগষ্ট প্ৰস্তাৱ'ৰ জৰিয়তে এক সুকীয়া সংবিধানৰ দাবী মানি লৈছিল। সেই অনুসৰি ১৯৪৬ চনত কেবিনেট মিছন ভাৰতলৈ আহে আৰু ভাৰতৰ বাবে এক সুকীয়া সংবিধান বানা কৰিবলৈ প্ৰস্তাৱ আগবঢ়ায়। এই প্ৰস্তাৱ অনুসৰিয়েই ভাৰতীয় সংবিধান সভা গঠিত হয় আৰু এই সভাৰ সভাপতিৰূপে নিৰ্বাচিত কৰা হয় ড° ৰাজেন্দ্ৰ প্ৰসাদক। এইখিনিতে ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ লগে লগে সংবিধান সভাই ভাৰতৰ বাবে এখন সংবিধান ৰচনা কৰাৰ অধিকাৰ লাভ কৰে। আৰু লগে লগে ১৯৪৭ চনৰ ২৯ আগষ্ট তাৰিখে ড° ভীমৰাও আম্বেদকাৰক সভাপতি ৰূপে লৈ ছজন সদস্যৰ সৈতে এখন খচৰা কমিটি গঠন কৰা হয়। এই ৬ জনীয়া সদস্যৰ দ্বাৰা গঠিত খচৰা কমিটিখনৰ সদস্যসকল আছিল ক্ৰমে - ড° ভীমৰাও আম্বেদকাৰ (সভাপতি), এন গোপালস্বামী আয়েংগাৰ, আল্লাড কৃষ্ণ স্বামী

(বাৰপৃষ্ঠাত চাওক)

# তই ধুনীয়া



ৰশ্মি ৰেখা দুৱৰা,
ডিব্ৰুগড়

নিজকে দেখিবলৈ বেয়া বুলি
অসন্তোষ প্ৰকাশ নকৰিবি,
তই এনেয়ো ধুনীয়া
দামী ক্ৰিম-পাউদাৰ নালাগে ঘঁহিব
ঈশ্বৰৰ দান মুখখনেই দেখনিয়াৰ
চকুত কাজল-আইলেনাৰৰ
নাই কোনো প্ৰয়োজন
হৰিণী-নয়না তোৰ চকুজুৰিত
থৰ হৈ পৰে অগণন জনতা।
দামী-দামী ব্ৰেণ্ডৰ কাপোৰৰ প্ৰয়োজন নাই
মেখেলা-চাদৰ যোৰতেই তই শুৱনি
তোৰ চকু, নাক, চুলি..
বিৱৰণ দিয়াৰ প্ৰয়োজন নাই
সাইলাখ স্বৰ্গৰ অপেশ্বৰী,
বাটে-ঘাটে তোক এচামে হাঁহিব
দৈন্যতাই গ্ৰাস কৰা বুলি
প্ৰত্যুত্তৰ দিবলৈ তই আগবাঢ়ি নাযাবি
নীৰৱে ফালৰি কাটি আহিবি।
তোৰ সৰলতাই তোৰ পৰিচয়
টকাৰে তই ধনী নহ'ব পাৰ
মনৰ পৰা যে সদায় ধনী
বুজোৱাৰ দৰকাৰ নাই,
উচ্চ আশা-আকাংক্ষা নাই তোৰ
নামি-দামী হোটেলৰ
চাওমিন, বাৰ্গাৰ, মম', ৰোল, পিজা...
এইবোৰ খোৱাৰ হেঁপাহ নাই
শাক-ভাতৰ আঞ্জাই তোৰ বাবে শ্ৰেষ্ঠ।
মুখত কোনো কৃত্ৰিমতাৰ আৱৰণ নাই
কথাত কোনো ভেজাল নাই
হাঁহিৰে জগত জিনিব পাৰ তই
তই গুণৱতী, তই ৰূপৱতী
মুখত এসোপা প্ৰলেপ দি
শোভাবৰ্দ্ধন কৰাৰ প্ৰয়োজন নাই
মনৰ পৰাই তই ধুনীয়া
ঈশ্বৰৰ সৃষ্টি, তই ধুনীয়া!

# আম্বানি, আদানি, টাট গ্ৰুপৰ

ছিংগাপুৰত ৰোড শ্ব' অনুষ্ঠিত কৰি বিনিয়োগৰ বাবে যি আহ্বান জনোৱা হৈছিল, তাৰ ফলত যথেষ্ট আশাপ্ৰদ সঁহাৰি লাভ কৰিব পৰা গৈছে। বিশেষকৈ জাপান আৰু "ছিংগাপুৰত অসমৰ মুখ্যমন্ত্ৰীগৰাকীক যিদৰে আতিথ্য দিয়া হৈছিল সেয়া যথেষ্ট গুৰুত্বপূৰ্ণ। জাপানৰ সংসদৰ অধ্যক্ষই নিশা আহাৰৰ বাবে মোক নিমন্ত্ৰণ কৰিছিল। এয়া মোৰ বাবে অতি সৌভাগ্যৰ বিষয়। জাপানে অসমৰ সৈতে অতি ওচৰৰ পৰা কাম কৰিব বিচাৰে। একেদৰে ছিংগাপুৰৰ ৰাষ্ট্ৰপতিয়ে মোক সাক্ষাৎ কৰাটো আছিল আন এক উল্লেখযোগ্য বিষয়। ছিংগাপুৰৰ দৰে দ্ৰুতগতিত বিকাশৰ দিশে আগবঢ়া দেশ এখনে অসমত বিভিন্ন দিশত বিনিয়োগৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে। এডভান্টেজ আছাম ২.০ৰ আন এক উল্লেখযোগ্য বিষয় হ'ল যে এইবাৰ সন্মিলনত ইউৰোপিয়ান ইউনিয়ন, ৱৰ্ল্ড বেংক, এছিয়ান ডেভেলপমেন্ট বেংক আৰু নিউ ডেভেলপমেন্ট বেংকো উপস্থিত থাকিব। তদুপৰি ইউএছ ইণ্ডিয়া বিজনেছ কাউঞ্চিল, নিউজিলেণ্ড বিজনেছ কাউঞ্চিল, ইউএই ইণ্ডিয়া বিজনেছ কাউঞ্চিল টাইপাই ইক'নমী এণ্ড কালচাৰেল চেণ্টাৰ ইন ইণ্ডিয়াৰ দৰে কেইবাটাও আগশাৰীৰ এজেঞ্চী উপস্থিত থাকিব। ২৫ ফেব্ৰুৱাৰীত এই বৃহৎ বিনিয়োগ সন্মিলনখন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰাৰ বিপৰীতে সামৰণী অনুষ্ঠানত থাকিব বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ। বিত্তমন্ত্ৰীগৰাকীৰ উপস্থিতিত দেশৰ বিভিন্ন বেংকৰ প্ৰতিনিধিৰ সৈতে অনুষ্ঠিত হ'ব গুৰুত্বপূৰ্ণ বৈঠক। এই অনুষ্ঠানলৈ ক্ষুদ্ৰ উদ্যোগী, লাখপতি বাইদেউসকলক আমন্ত্ৰিত কৰা হ'ব। মুখ্যতঃ অসমৰ ক্ষুদ্ৰ উদ্যোগীসকলক উৎসাহিত কৰা আৰু তেওঁলোকে সৰু উদ্যোগ স্থাপনৰ ক্ষেত্ৰত সন্মুখীন হোৱা বিষয়সমূহ আলোচিত হ'ব এই আলোচনা-চক্ৰত। ইতিমধ্যে ৰাজ্যৰ বিভিন্ন প্ৰান্তত তিনি হাজাৰ ৭০০ ক্ষুদ্ৰ উদ্যোগীক লৈ কেইবাখনো জিলাত একে সময়তে আৰম্ভ হ'ব সন্মিলন। এই ক্ষুদ্ৰ উদ্যোগীসকলৰ সৈতে এডভান্টেজ আছাম ২.০ৰ সময়ছোৱাতে বুজাবুজি চুক্তি সম্পন্ন কৰাৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই জানিবলৈ দিয়ে যে এডভান্টেজ আছাম ২.০ত দেশৰ কেইবাজনো আগশাৰীৰ উদ্যোগপতি উপস্থিত থাকিব। এইসকলৰ ভিতৰত থাকিব মুকেশ আম্বানি, গৌতম আদানি, টাটা গ্ৰুপৰ অধ্যক্ষকে ধৰি ১০গৰাকী শীৰ্ষ উদ্যোগপতি। তদুপৰি এই সন্মিলনত সহযোগী দেশৰূপে উপস্থিত থাকিব ভুটান, জাপান, অষ্ট্ৰেলিয়া, ছিংগাপুৰ, থাইলেণ্ড, মালয়েছিয়া। সন্মিলনত ফিলিপাইনছ, ফিনলেণ্ড, আইছলেণ্ড, অষ্ট্ৰিয়া আৰু ৰিপাব্লিক কোৰিয়ায়ো উপস্থিত থকাৰ কথা অৱগত কৰিছে। সন্মিলনত ৭ গৰাকী কেন্দ্ৰীয় মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। এইসকলৰ ভিতৰত আছে নীতিন গাডকাৰি, জ্যোতিৰাদিত্য সিন্ধিয়া, হৰজিৎ সিং পুৰী, ড° এছ জয়শংকৰ, পীযূষ গোৱেল, অশ্বিনী বৈষ্ণৱ, সৰ্বানন্দ সোণোৱাল আৰু নিৰ্মলা সীতাৰমণ। এই প্ৰসংগতে মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এডভান্টেজ আছাম ২.০ৰ জৰিয়তে যি পৰিৱৰ্তনৰ আশা কৰা হৈছে সেয়া অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে অকলে সম্ভৱ কৰিব নোৱাৰে। ৰাজ্যৰ প্ৰতিজন লোকৰ সহযোগিতা অত্যন্ত জৰুৰী হ'ব। বিগত তিনি বছৰত অসমত যথেষ্ট শান্তি ঘূৰি আহিছে। আন্দোলনৰ পৰিৱেশ নোহোৱা হৈছে। যাৰ বাবে কোকৰাঝাৰত প্ৰথমবাৰৰ বাবে অসম বিধানসভাৰ অধিৱেশন অনুষ্ঠিত হ'ব। এইক্ষেত্ৰতো সকলোৰে সহযোগিতা অত্যন্ত গুৰুত্বপূৰ্ণ হ'ব। আনহাতে অসমক লৈ বিদেশী ৰাষ্ট্ৰসমূহৰ মাজত যি এক ভুল ধাৰণা আছে সেয়া আঁতৰ কৰাৰ ক্ষেত্ৰত অসম আন্দোলন বিবৰ্জিত তথা শান্তিৰ পৰিৱেশৰ মাজেৰে গতি কৰা ৰাজ্য হিচাপে প্ৰমাণিত হ'ব লাগিব। ইয়াৰ ফলতহে বহু দেশে অসমৰ ক্ষেত্ৰত জাৰি কৰি ৰখা ট্ৰেভেল এডভাইছ'ৰী বাতিল কৰিব। অৱশ্যে অসমৰ শেহতীয়া পৰিৱেশক লৈ ট্ৰেভেল এডভাইছ'ৰী বাতিল কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰি আছে। এডভান্টেজ আছাম ২.০ সন্মিলনত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক অংশগ্ৰহণৰ বাবে বিশেষ ব্যৱস্থা লোৱাৰ কথা তেওঁ জানিবলৈ অদিয়ে। আনহাতে ঝুমুইৰ বিনন্দীয়া প্ৰসংগত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ২৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত সৰুসজাই ষ্টেডিয়ামত বিশাল পৰিসৰত ঝুমুইৰ নৃত্য পৰিৱেশন কৰা হ'ব। ঝুমুইৰ নৃত্যৰ যোগেদি অসমৰ ২০০ বছৰীয়া চাহ উদ্যোগৰ লগতে অসমৰ উদ্যোগিক ইতিহাস উদযাপন কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুকলি কৰিবলগা এই অনুষ্ঠানত বিদেশী ৰাষ্ট্ৰৰ প্ৰতিনিধিয়েও অংশগ্ৰহণ কৰিব।

# ছিংগাপুৰৰ উপ-প্ৰধানমন্ত্ৰী গেন কিম

বাণিজ্যিক সম্ভাৱনাৰ মূল বিশেষত্ব হিচাপে স্বীকৃত হৈ পৰিছে বুলি ব্যৱসায়িক নেতৃবৃন্দৰ আগত উল্লেখ কৰে। ছিংগাপুৰৰ বিনিয়োগকাৰীসকলে অসমে আগবঢ়োৱা অনন্য ব্যৱসায়িক সা-সুবিধাসমূহৰ প্ৰতি দেখুওৱা উৎসাহে ৰাজ্য চৰকাৰকো অধিক উৎসাহিত কৰি তুলিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে ২০২৩-২৪ বৰ্ষত ভাৰত আৰু ছিংগাপুৰৰ মাজৰ দ্বিপাক্ষিক বাণিজ্যৰ পৰিমাণ ৩৫.৬ বিলিয়ন ডলাৰ হোৱাৰ কথা উল্লেখ কৰি কয় যে ইয়াৰ জৰিয়তে ছিংগাপুৰে ভাৰতবৰ্ষৰ ষষ্ঠ বৃহৎ বাণিজ্যিক সংগী হিচাপে উদ্ভাসিত হৈছে আৰু দুয়োখন দেশৰ এই বাণিজ্যিক সম্পৰ্কক অধিক আগবঢ়াই নিয়াৰ দিশত অসমে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই মন্তব্য কৰে যে ১৪৩ বিলিয়ন ডলাৰৰ সম্ভাব্য জিএছডিপি, ১২.২ বিলিয়ন ডলাৰৰ আন্তঃগাঁথনি সবলীকৰণ, দৈনিক ১৫ কিলোমিটাৰ পথ নিৰ্মাণ, ৬ হাজাৰ মেগাৱাট সেউজ শক্তিৰ লক্ষ্য তথা ইতিমধ্যে আহৰণ কৰা ৪.৭বিলিয়ন ডলাৰৰ ব্যক্তিগত বিনিয়োগেৰে অসমে বিনিয়োগকাৰীসকলক উৎকৃষ্ট সম্ভাৱনা আৰু বিনিয়োগভিত্তিক উত্তম লাভ প্ৰদান কৰিবলৈ সামৰ্থ্যৱান। ছিংগাপুৰ ভ্ৰমণৰ দ্বিতীয় দিনটোত মুখ্যমন্ত্ৰী ড° শৰ্মাই মধ্যাহ্ন ভোজনৰ সময়তে দেশখনৰ কেইগৰাকীমান আগশাৰীৰ বিনিয়োগকাৰী তথা অংশীদাৰৰ সৈতেও বিশেষ বাৰ্তালাপত মিলিত হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই এইএম ছিংগাপুৰৰ চৌহদ পৰিদৰ্শন কৰি প্ৰতিষ্ঠানটোৰ বিশ্বমানৰ পৰীক্ষণ সুবিধাসমূহৰ চাক্ষুষ অভিজ্ঞতা গ্ৰহণ কৰে। জাগীৰোডত নিৰ্মীয়মাণ টাটাৰ ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী গৰাকীয়ে কয় যে অসমক এক গোলকীয় ছেমিকণ্ডাক্টৰ কেন্দ্ৰ হিচাপে আত্মপ্ৰকাশ কৰোৱাৰ দিশত ৰাজ্য চৰকাৰে যাৱতীয় পৰিকল্পনা আৰু পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে ছিংগাপুৰ ছেমিকণ্ডাক্টৰ উদ্যোগ সংস্থা আৰু ছেমিকণ্ডাক্টৰৰ সৈতে জড়িত অন্যান্য খণ্ডৰ অংশীদাৰসকলকো সাক্ষাৎ কৰে। এই সাক্ষাৎকালত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেওঁলোকক ৰাজ্যখনত বিশ্বৰ অগ্ৰণী উদ্যোগ আৰু প্ৰতিষ্ঠানসমূহৰ সহযোগত এক বিশ্ব দক্ষতা কেন্দ্ৰ স্থাপন কৰি উদ্যোগ ৪.০ৰ প্ৰয়োজনীয়তাসমূহ পূৰণ কৰাৰ অৰ্থে দক্ষ কৰ্মী বাহিনী সৃষ্টিৰ বাবে এক বৃহৎ পৰিসৰৰ প্ৰচেষ্টা গ্ৰহণৰ বিষয়ে অৱগত কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই সাক্ষাৎকালত উপস্থিত থকা এইএম হ'ল্ডিংছ, ক্লিনটেক, লেবি ইঞ্জিনীয়াৰিং,ষ্টেটছ চিপ্‌পাক, এণ্টাৰপ্ৰাইজ এছ জিৰ নেতৃবৰ্গ, এক্ৰিবিছ ছিষ্টেমছ, পি ই টি ইন'ভেচন, এম টি আই আৰু টেমাছেক পলিটেকনিকৰ অধ্যক্ষ আৰু মুখ্য কাৰ্যবাহী বিষয়াসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই ছিলিকন খণ্ডৰ অগ্ৰণী প্ৰতিষ্ঠান ছিলিকন বক্স পৰিদৰ্শন কৰি প্ৰতিষ্ঠানটোৰ মুখ্য কাৰ্যবাহী বিষয়া ড° বিয়ং জুন হান তথা অন্যান্য বিষয়াসকলৰ সৈতে এক বৈঠকত মিলিত হৈ উন্নত প্ৰযুক্তিৰ 'চিপ' নিৰ্মাণ প্ৰক্ৰিয়াৰ বিভিন্ন দিশৰ বুজ লয়। লগতে মুখ্যমন্ত্ৰী ড° শৰ্মাই ছিংগাপুৰত বসবাস কৰা অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ লগতে একাংশ ভাৰতীয় লোককো সাক্ষাৎ কৰি তেওঁলোকৰ সৈতে বিভিন্ন বিষয় আলোচনা কৰে।

# সামাজিক মাধ্যমত পত্নী

বিশ্বাস ৰাখা। সকলোৱে জানে প্ৰকৃত সত্য কি?' এই পোষ্টৰ সৈতে গৌৰৱ গগৈয়ে পত্নী এলিজাবেথে বিহু গান গাই থকা এটা ইউটিউব ভিডিঅ' সংলগ্ন কৰিছে। উল্লেখ্য যে লোকসভাত কংগ্ৰেছৰ উপ-দলপতি, সাংসদ গৌৰৱ গগৈৰ পাকিস্তান দূতাৱাসত বৈঠক, পত্নী এলিজাবেথৰ আইএছআইৰে সম্পৰ্কৰ অভিযোগে সমগ্ৰ দেশতে তীব্ৰ জোকাৰণিৰ সৃষ্টি কৰিছে। ৰাষ্ট্ৰীয় নিৰাপত্তাৰে জড়িত চাঞ্চল্যকৰ অভিযোগ উত্থাপনৰ পিছতে সাংসদ গৌৰৱ গগৈৰ নিজৰ স্থিতি স্পষ্ট কৰিবলৈ বিভিন্ন পক্ষই দাবী উত্থাপন কৰিছে। আনকি তেওঁৰ ভূমিকাক লৈও সচেতন মহল সৰৱ হৈ পৰিছে। ইয়াৰ মাজতে গৌৰৱ গগৈয়ে বিজেপিৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণৰ হুংকাৰ দিছে। সামাজিক মাধ্যমত তেওঁ লিখিছে যে বিজেপিয়ে তেওঁ আৰু তেওঁৰ পৰিয়ালৰ চূড়ান্ত মান হানি কৰিছে। এই সন্দৰ্ভত শীঘ্ৰে আইনী ব্যৱস্থা গ্ৰহণ কৰিব।

# গাছবাৰী হাইস্কুলত

আৰক্ষী চিআৰপিএফ বাহিনীৰ সৈতে কেন্দ্ৰটোত উপস্থিত হয়। আনকি এই খবৰ লাভ কৰি অতিৰিক্ত জিলা আয়ুক্ত প্ৰণৱ গোস্বামী, কমলপুৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া বিক্ৰমজিৎ বৰা, শিক্ষা বিষয়া ফুলপাহী নাথ আৰু জিলা শিক্ষা বিষয়া টি কলিতাও কেন্দ্ৰটোত উপস্থিত হয়। অৱশ্যে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰটোৰ পৰীক্ষাৰ্থীসকলক নিৰ্দিষ্ট সময়তকৈ ৩৫ মিনিট সময় প্ৰশ্নোত্তৰ লিখাৰ বাবে বঢ়াই দিয়া হয়। আনহাতে, পৰীক্ষা আৰম্ভ হোৱাৰ পাছত সৃষ্টি হোৱা এই অবাঞ্ছিত ঘটনাৰ পাছতে মাধ্যমিক শিক্ষা সঞ্চালক মমতা হোজায়ে অশোক চৌধুৰীক নিলম্বন কৰাৰ লগতে তেওঁৰ বিৰুদ্ধে বিভাগীয় তদন্ত ঘোষণা কৰে। এই সন্দৰ্ভত জাৰি কৰা এক আদেশত উল্লেখ কৰা অনুসৰি কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকে সমগ্ৰ ঘটনা সন্দৰ্ভত এক প্ৰতিবেদন দাখিল কৰিছে। এই প্ৰতিবেদনৰ ভিত্তিত অসম সেৱা (অনুশাসন আৰু এপিল বিধি) ১৯৬৪ৰ ৬ (আই)বিধিৰ অধীনত অশোক চৌধুৰীক নিলম্বন কৰা হয়। উল্লেখ্য যে ৰাজ্যৰ ৯৪৪টা কেন্দ্ৰত চলিত বৰ্ষৰ মেট্ৰিক পৰীক্ষা অনুষ্ঠিত হৈছে। এইবাৰ মেট্ৰিক পৰীক্ষাৰ্থীৰ সংখ্যা হৈছে ৪, ২৯, ৪৪৮। প্ৰতিটো পৰীক্ষা কেন্দ্ৰতে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হয়। পৰীক্ষাৰ্থীসকলক তন্ন তন্নকৈ পৰীক্ষা কৰাৰ অন্ততহে পৰীক্ষা কেন্দ্ৰত প্ৰৱেশৰ অনুমতি দিয়া হয়। সেইদৰে অভিভাৱকসকলক পৰীক্ষা কেন্দ্ৰসমূহৰ নিৰ্দিষ্ট স্থানলৈকেহে যাবলৈ প্ৰশাসনে অনুমতি প্ৰদান কৰে।

# আমেৰিকাৰ ৰাষ্ট্ৰপতি

ভাৰতলৈ প্ৰত্যৰ্পণত সন্মতি প্ৰদান কৰে ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে। আমেৰিকাত বন্দী হৈ থকা সন্ত্ৰাসবাদী ৰানাৰ ভাৰতলৈ প্ৰত্যৰ্পণত ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে দিয়া সন্মতিত দুয়ো দেশৰ কূটনৈতিক যুঁজত ভাৰতৰ জয় বুলি চৰ্চিত হৈছে। ইপিনে দুয়ো দেশৰ প্ৰতিৰক্ষা শক্তিকে ধৰি আমেৰিকাৰ পাৰমাণৱিক প্ৰযুক্তিত ভাৰতৰ সহায়ৰ সহমতৰ লগতে দুয়ো দেশে অসামৰিক পৰমাণু চুক্তিত স্বাক্ষৰ কৰে। ইয়াৰ পৰিপ্ৰেক্ষিততেই মাৰ্কিন-ভাৰতৰ ১২৩ অসামৰিক পাৰমাণৱিক চুক্তিৰ দিশত দুই দেশ আগবাঢ়ি যায়। আনহাতে, সংবাদ মেলত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আমেৰিকাৰ ৰাষ্ট্ৰপতি ট্ৰাম্পৰ 'মাগা' (মেক আমেৰিকা গ্ৰেট এগেইন)ৰ শ্লোগানক বিকশিত ভাৰতৰ লক্ষ্য উত্থাপন কৰি 'মিগা' (মেক ইণ্ডিয়া গ্ৰেট এগেইন) বুলি কয়। এই দুয়োটাক সন্নিবিষ্ট কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুয়ো দেশৰ সম্পৰ্কক মেগা পাৰ্টনাৰশ্বিপ বুলি আখ্যা দিয়ে। বৈঠকত ট্ৰাম্পে ইজৰাইল-গাজা আৰু ইউক্ৰেইন-ৰাছিয়াৰ যুদ্ধৰ যৱনিকাৰ প্ৰসংগ উল্লেখ কৰি ভাৰত আৰু চীনৰ সম্পৰ্কত হস্তক্ষেপ কৰাৰ প্ৰস্তাৱ আগবঢ়ায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত আৰু চীনৰ সংঘাত আঁতৰোৱাৰ বাবে ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে আগবঢ়োৱা প্ৰস্তাৱ নাকচ কৰে।

# দেশৰ শ্ৰেষ্ঠ মুখ্যমন্ত্ৰীৰ

সমৰ্পিত এক উল্লেখনীয় নেতা হিচাপে চিহ্নিত কৰিছে। আন্তঃগাঁথনি উন্নয়ন, সমাজৰ কল্যাণ, অৰ্থনৈতিক বিকাশ আৰু আইন প্ৰৱৰ্তন সংস্কাৰৰ দিশত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ গুৰুত্বই অসমক শাসনৰ এক আৰ্হি হিচাপে প্ৰতীয়মান কৰিছে। যোৱা তিনিটা বছৰত অসমে আন্তঃগাঁথনি, স্বাস্থ্যসেৱা, শিক্ষা আৰু আইন প্ৰৱৰ্তনৰ ক্ষেত্ৰত উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে। যাৰ মুখ্য পদক্ষেপবোৰে জনসাধাৰণৰ পৰিৱৰ্তন আৰু বিকাশক অনন্য মাত্ৰা প্ৰদান কৰিছে। ইণ্ডিয়া টুডে'ৰ শেহতীয়া এই সমীক্ষাৰ ফলাফলে মুখ্যমন্ত্ৰী ড° শৰ্মাক এজন প্ৰগতিশীল আৰু দূৰদৰ্শী নেতা হিচাপে খ্যাতিমান কৰি তুলিছে। এডভান্টেজ আছাম ২.০ৰ পূৰ্বে এই জৰীপটোৱে বিনিয়োগৰ গন্তব্য স্থান হিচাপে অসমৰ আহ্বানক এক শক্তিশালী বাৰ্তা হিচাপে বহন কৰিছে, যিয়ে ৰাজ্যখনৰ দ্ৰুত বিকশিত ব্যৱসায়িক প্ৰেক্ষাপটলৈ চাই সম্ভাব্য বিনিয়োগকাৰীসকলৰ বাবে এক শক্তিশালী স্থিতি হিচাপে উপস্থাপন কৰিছে।

# মণিপুৰত ৰাষ্ট্ৰপতি শাসন

দ্ৰৌপদী মুৰ্মুৱে কয় যে বৰ্তমান ৰাজ্যখনত এনে পৰিস্থিতিৰ উদ্ভৱ হৈছে যাৰ ফলত সংবিধানৰ আধাৰত ৰাজ্য চৰকাৰৰ দ্বাৰা ৰাজ্যখন পৰিচালিত কৰা সম্ভৱ নহয়। তেনে কাৰণতেই ৰাষ্ট্ৰপতি শাসন বলৱৎ কৰা হৈছে। সংবিধানৰ অনুচ্ছেদ ৩৫৬ৰ ক্ষমতাৰ অধীনত মণিপুৰ চৰকাৰৰ সকলো কাৰ্যকলাপ ৰাষ্ট্ৰপতিৰ দ্বাৰা পৰিচালিত হ'ব। উল্লেখ্য যে বিগত বৰ্ষৰ পৰাই মণিপুৰত মেইটেই আৰু কুকি সম্প্ৰদায়ৰ মাজত চলা গোষ্ঠীগত সংঘৰ্ষৰ ফলশ্ৰুতিত ৰাজ্যখন অশান্ত হৈ আছে। অশান্ত মণিপুৰত মুখ্যমন্ত্ৰী এন বীৰেন সিঙৰ স্থানত আন নেতৃত্বৰ হাতত ক্ষমতা দিয়াৰ দাবী বিজেপিয়ে কৰি অহাৰ বাবেই মুখ্যমন্ত্ৰী সিঙে যোৱা ৯ ফেব্ৰুৱাৰীত ইম্ফলৰ ৰাজভৱনত ৰাজ্যপাল অজয় কুমাৰ ভাল্লাক পদত্যাগ-পত্ৰ দাখিল কৰে।

# ফ্ৰান্সৰ ৰাষ্ট্ৰপতি বিমানত

পৰিদৰ্শন কৰি প্ৰথম বিশ্বযুদ্ধৰ সময়ত প্ৰাণাহুতি দিয়া ভাৰতীয় সৈনিকক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যুদ্ধ স্মাৰকত ৰাষ্ট্ৰীয় পতাকা আৰু পুষ্পাঞ্জলি প্ৰদান কৰে। ইপিনে মাছেইলীত প্ৰবাসী ভাৰতীয়ক সম্বোধন কৰে দুয়োগৰাকী নেতাই। ৰাষ্ট্ৰপতি মেক্ৰন আৰু প্ৰধানমন্ত্ৰী মোদীয়ে নতুন কনছুলেটত প্ৰবাসী ভাৰতীয়ক আদৰণি জনায়। এই অনুষ্ঠানত প্ৰবাসী ভাৰতীয়ৰ সৈতে প্ৰধানমন্ত্ৰী মোদীয়ে বাৰ্তালাপ কৰে। উল্লেখ্য যে পেৰিছৰ গ্ৰেণ্ড পেলেচত আয়োজিত কৃত্ৰিম বুদ্ধিমত্তা শীৰ্ষ সন্মিলন সম্বোধন কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। তাৎপৰ্যপূৰ্ণ যে মাছেইলীত সাহসিকতাৰে নিজৰ জীৱন ৰক্ষা কৰি বীৰ ছাভাৰকাৰকো স্মৰণ কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। নতুন কনছুলেটে ভাৰত আৰু ফ্ৰান্সৰ জনসাধাৰণৰ মাজত সম্পৰ্ক অধিক সবলীকৰণ কৰিব বুলি কয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে।

# অগ্নিদগ্ধ হৈ নাট্যকৰ্মী

অস্ত্ৰোপচাৰ হৈ যায়। উল্লেখযোগ্য যে যোৱা প্ৰায় তিনি-চাৰিটা দশক তেখেতে ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ বিভিন্ন ভিতৰুৱা অঞ্চলত শিশুসকলৰ মাজত নাটকৰ শিক্ষা বিলাই আহিছে। বিভিন্ন অঞ্চলত নাট্য চৰ্চাৰ পৰিৱেশ সৃষ্টি কৰাৰ লগতে বহুসংখ্যক নাটক তেখেতৰ পৰিচালনাত মঞ্চস্থ হৈছে। আমাৰ "বুৰুজ (সমাজ জীৱনৰ)" বহুকেইখন নাটক তেখেতৰ পৰিচালনাত মঞ্চস্থ কৰা হৈছে।

# ষষ্ঠ শ্ৰেণীৰ পাঠ্যপুথি

কৰা হৈছে। অৱশ্যে আন আন শ্ৰেণীসমূহৰ পাঠ্যপুথি পৰৱৰ্তী বৰ্ষসমূহত সলনি হোৱাৰ সম্ভাৱনা আছে। ইফালে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে জানিবলৈ দিয়া অনুসৰি ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমক বিনামূলীয়া পাঠ্যপুথিসমূহ ই-বুক হিচাপে উপলব্ধ কৰাৰ ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিছে। সেইমৰ্মে অহা বৰ্ষৰ পৰাই ছাত্ৰ-ছাত্ৰীৰ বাবে ই-বুক ব্যৱস্থা আৰম্ভ কৰা হ'ব। লগতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ঘোষণা কৰা অনুসৰি অতিশীঘ্ৰেহ ৯,৭১৭টা শিক্ষক পদত দিয়া হ'ব নিযুক্তি। এই পদসমূহৰ বাবে শেহতীয়াকৈ টেট-নিযুক্তি পৰীক্ষা সম্পূৰ্ণ কৰা হৈছে। এই পৰীক্ষাৰ ফলাফল সোনকালে ঘোষণা কৰাৰ বাবে প্ৰস্তুতিও চলি আছে। হৈ যোৱা পৰীক্ষাৰ বহী মূল্যায়নৰ কাম প্ৰায় সমাপ্তৰ দিশে বুলি উল্লেখ কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি এই পৰীক্ষাৰ ফলাফল ঘোষণাৰ পাছতেই ৯, ৭১৭টা পদৰ বাবে নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব।

# স্বাস্থ্যমন্ত্ৰী অশোক

শিশুসকলক পূৰ্বৰ মেনুৱেল পঞ্জীয়ন পদ্ধতিৰেও টীকাকৰণ অব্যাহত আছে বুলি তেওঁ অৱগত কৰে। মন্ত্ৰী সিংহলে কয় যে চৰকাৰী চিকিৎসালয়ত ঔষধৰ নাটনি, চিকিৎসকে জেনেৰিক ঔষধ প্ৰেছক্ৰাইব নকৰা, অত্যাৱশ্যকীয় ঔষধৰ তালিকাত বহু গুৰুত্বপূৰ্ণ ঔষধ সামৰি নোলোৱা আদি বিষয় সন্দৰ্ভত নাগৰিকৰ অভিযোগ দাখিলৰ বাবে মুকলি কৰা ৱাটছএপ নম্বৰযোগে যোৱা দিনবোৰত বহুসংখ্যক অভিযোগ লাভ কৰা হৈছে আৰু সেই অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অহা ১০ দিনৰ ভিতৰত চৰকাৰী চিকিৎসালয়ত অত্যাৱশ্যকীয় ঔষধৰ তালিকাৰ প্ৰায় আটাইবোৰ ঔষধ উপলব্ধ কৰোৱাৰ ব্যৱস্থা কৰা হৈছে। সেইদৰে অত্যাৱশ্যকীয় ঔষধ তালিকাত আন কেইবাটাও গুৰুত্বপূৰ্ণ ঔষধ সন্নিৱিষ্টকৰণৰো পদক্ষেপ লোৱা হৈছে। আনহাতে, ৰাজ্যৰ চিকিৎসালয়ত চিকিৎসকৰ নাটনি দূৰ কৰাৰ বাবে অতি সোনকালে ৪০০ চিকিৎসক পদৰ বাবে বিজ্ঞাপন দিয়া হব বুলি মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে।

# ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ নতুন

আৰ চি বিয়ে মাত্ৰ তিনিজন খেলুৱৈক ধৰি ৰাখিছিল, য'ত ৰজত পাটিদাৰো আছিল। ১১ কোটি টকাৰ বিনিময়ত দলটোৱে পাতিদাৰক ধৰি ৰাখিছিল। পাটিদাৰৰ উপৰি আৰ চি বিয়ে বিৰাট কোহলি আৰু যশ দয়ালক ধৰি ৰাখিছিল। কোহলিক ২১ কোটি আৰু যশ দয়ালক ৫ কোটি টকাত ৰখা হৈছিল। অনুৰাগীসকলে নতুন অধিনায়ক ৰজত পাটিদাৰৰ সৈতে আই পি এল ২০২৫ত প্ৰথমবাৰৰ বাবে আই পি এল খিতাপ লাভৰ আশা কৰিব। পাটিদাৰে এই পৰ্যন্ত আৰ চি বিৰ হৈ বেটছমেন হিচাপে উজ্জ্বল প্ৰদৰ্শন আগবঢ়াইছে যদিও এতিয়া অধিনায়ক হিচাপে দলৰ হৈ কেনে প্ৰদৰ্শন আগবঢ়ায় সেয়া চাবলৈ আগ্ৰহী হ'ব। মন কৰিবলগীয়া যে ২০২১ চনত আৰ চি বিৰ হৈ খেলি আই পি এলত অভিষেক ঘটা ৰজত পাটিদাৰে আই পি এল কেৰিয়াৰত এইপৰ্যন্ত ২৭খন মেচ খেলিছে। এই মেচসমূহৰ ২৪টা ইনিংছত তেওঁ গড়ে ৩৪.৭৩ আৰু ষ্ট্ৰাইক ৰেট ১৫৮.৮৪ত ৭৯৯ ৰান সংগ্ৰহ কৰে। এই সময়ছোৱাত তেওঁ ১টা শতক আৰু ৭টা অৰ্ধশতক অৰ্জন কৰিছে। উল্লেখ্য যে এই অনুষ্ঠানত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে আই পি এল ২০২৫ৰ বাবে তেওঁলোকৰ নতুন জাৰ্চি মুকলি কৰে। লগতে দলটোৰ নিষ্ঠাবান অনুৰাগীৰ বাবে এটা নতুন ৱেবছাইট মুকলি কৰে। যাৰ জৰিয়তে অনুৰাগীসকলে প্ৰথমে নিজৰ প্ৰিয় আৰ চি বি দলৰ সৈতে জড়িত প্ৰতিটো নতুন আপডেট জানিব পাৰিব।

# বঙাইগাঁও আৰু চিৰাঙত বীৰ

অদম্য সাহসৰ উপৰি সম্প্ৰীতিৰো আদৰ্শ বুৰি মন্তব্য কৰি মন্ত্ৰী হাজৰীকাই কয় যে সুনিপুণ আঁচনি, কৌশল, দূৰদৰ্শী চিন্তাৰে সমৃদ্ধ বীৰ চিলাৰায়ে ভাতৃ নৰনাৰায়ণৰ সৈতে মিলি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক বৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু সৃষ্টিশীল ৰচনাসমূহ কৰিবলৈ পৃষ্ঠপোষকতা কৰিছিল। আনহাতে গুৱাহাটীত মা কামাখ্যা মন্দিৰ পুনৰ নিৰ্মাণ কৰি বীৰ চিলাৰায়ে আমাৰ সমাজলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই থৈ গৈছে বুলি তেওঁ উল্লেখ কৰে। বীৰ চিলাৰায় আৰু কোচ ৰজা নৰনাৰায়ণৰ পৃষ্ঠপোষকতা নোপোৱাহ'লে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ বহুতো অমূল্য ৰচনাৰ পৰা আমি বঞ্চিত হলোহেঁতেন বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। আনহাতে আজিৰ পৰা প্ৰায় ৫০০ বছৰৰ আগতেই কোচবিহাৰৰ পৰা বৰ্তমানৰ লখিমপুৰ জিলাৰ নাৰায়ণপুৰ পৰ্যন্ত প্ৰায় ৬০০ কিল'মিটাৰ পথ নিৰ্মাণ কৰি বীৰ চিলাৰায় আৰু তেওঁৰ ভাতৃ গোহাই কমলে কোচ সাম্ৰাজ্যৰ দূৰদৰ্শী চিন্তাৰ প্ৰতিফলন ঘটাইছিল বুলি মন্ত্ৰী হাজৰীকাই ভাষণ প্ৰসংগত মন্তব্য কৰে। মন্ত্ৰী হাজৰীকাই এই অনুষ্ঠানৰ পূৰ্বে কমতাপুৰ অতিথিশালা নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। এই অনুষ্ঠানতে মন্ত্ৰীগৰাকীয়ে প্ৰয়াত সাহিত্যিক অৰুণ কুমাৰ ৰায়লৈ মৰণোত্তৰভাৱে 'বীৰ চিলাৰায় বঁটা' প্ৰদান কৰে। ইয়াৰ পাছতে মন্ত্ৰী হাজৰীকাই বঙাইগাঁও জিলাৰে খোৱাগাঁৱত কোচ ৰাজবংশী ঐক্য মঞ্চৰ উদ্যোগত বঙাইগাঁও জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা আৰু খোৱাগাঁও অঞ্চলবাসীৰ সহযোগত অনুষ্ঠিত ৫১৫সংখ্যক কেন্দ্ৰীয় বিশ্ব মহাবীৰ চিলাৰায় দিৱসৰ কাৰ্যসূচীত অংশ লয়। এই অনুষ্ঠানতো বিশ্ব মহাবীৰ গৰাকীক সোঁৱৰি মন্ত্ৰী হাজৰীকাই কয় যে ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰে মহাবীৰ চিলাৰায়ৰ আদৰ্শৰেই ৰাজ্যখনৰ সকলো খিলঞ্জীয়া জনগোষ্ঠীৰ উন্নয়নৰ বাবে কাম কৰি আহিছে। মেডিকেল কলেজত অধ্যয়নৰ বাবে আসন সংৰক্ষণকে ধৰি কোচ ৰাজবংশী সম্প্ৰদায়ৰ লোকসকলৰ বাবেও চৰকাৰে বহুতো কাম কৰি আছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য প্ৰকাশ কৰে। পাছত মন্ত্ৰী হাজৰীকাই চিৰাং জিলাৰ বিজনী ছোৱালী হাইস্কুল খেলপথাৰত সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা আৰু কোচ ৰাজবংশী সন্মিলিত মঞ্চৰ উদ্যোগত বিজনী মহকুমা কোচ ৰাজবংশী ছাত্ৰ সন্থা আৰু বৃহত্তৰ বিজনীবাসী ৰাইজৰ সহযোগত কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত বিশ্ব মহাবীৰ চিলাৰায় দিৱসৰ বৰ্ণাঢ্য কাৰ্যসূচীত উপস্থিত থাকে। এই অনুষ্ঠানতো মন্ত্ৰীগৰাকীয়ে সুনিপুণ যোদ্ধা, দূৰদৰ্শী ব্যক্তিত্বৰ অধিকাৰী বীৰ চিলাৰায়ৰ আদৰ্শক শ্ৰদ্ধাৰে স্মৰণ কৰে।

# মঙলদৈৰ গান্ধী ময়দানত ৫১৫ সংখ্যক

যোৱা আদৰ্শ অসমৰ ইতিহাসৰ এক গুৰুত্বপূৰ্ণ অধ্যায়। অসমীয়া জাতি সত্তা নিৰ্মাণৰ এগৰাকী প্ৰধান খনিকৰ চিলাৰায়ে দুৰ্জেয় পৰাক্ৰমৰ সমান্তৰালকৈ জ্ঞানৰ গভীৰ সাধনা, কলাৰ চৰ্চা আৰু অতুলনীয় সামৰ্থ্যৰে জাতীয় জীৱনক নতুন পৰিধিৰে ব্যাপ্ত কৰি থৈ যোৱা বুলিও মন্ত্ৰী বড়াই তেওঁৰ ভাষণত কয় কোচ সাম্ৰাজ্যৰ সোণালী অধ্যায় চিলাৰাইৰ কৰ্মনিপুনতা আৰু দক্ষতাৰ সোণসেৰীয়া জ্যোতিৰে আজিও জ্যোতিস্মান হৈ আছে বুলি মন্তব্য কৰি ইতিহাসৰ এনে এগৰাকী মহান নায়কক জন্মদিৱসত কৃতজ্ঞতাৰে স্মৰণেই হৈছে তেখেতৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি বুলি ব্যক্ত কৰাৰ লগতে মন্ত্ৰী বড়াই এনে এক পূণ্য ব্ৰতেৰে মহাবীৰ গৰাকীৰ আদৰ্শৰ চৰ্চা আৰু সাধনা কৰিবলৈ ভাষণত ৰাজ্যবাসীক আহ্বান জনায়। বিশ্ব মহাবীৰ চিলাৰায়ৰ ৫১৫ সংখ্যক দিৱসৰ এই অনুষ্ঠানত মন্ত্ৰী বিমল বড়াৰ সৈতে বিশিষ্ট অতিথি উপস্থিত থাকি দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই মহাবীৰ চিলাৰাইৰ জীৱন দৰ্শনৰ ওপৰত আলোকপাত কৰি বক্তব্য আগবঢ়ায়। সভাত নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ প্ৰদান কৰি মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলা কান্ত বড়াই বীৰ চিলাৰাইৰ কৰ্ম আৰু সাধানাৰ পৰ্যালোচনা কৰে। মঙলদৈ বিধানসভা সমষ্টিৰ বিধায়ক বসন্ত দাস, ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড°পৰমানন্দ ৰাজবংশী, কোচ ৰাজবংশী উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰনৱ নাৰায়ণ দেৱ, মঙলদৈ সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, দৰং জিলাৰ আয়ুক্ত পৰাগ কুমাৰ কাকতী সমন্বিতে দৰং জিলাৰ কোচ ৰাজবংশৰ ভূমিপুত্ৰ সকল সভাত উপস্থিত আছিল। অনুষ্ঠানত মন্ত্ৰী বিমল বৰাই দৰং কোচ ৰাজবংশৰ সু-সন্তান, বিশিষ্ট চিকিৎসক তথা সাহিত্যিক ডাঃঅমৰেন্দ্ৰ নাৰায়ণ দেৱক সম্বৰ্ধনা জনায়।

# আগছিয়াৰ পলাশবাৰী আঞ্চলিক উচ্চ

ভিতৰত আৰম্ভ হব বুলি কৈ ৰাজ্যত ৫০০ খন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ক ৭-১০ কোটি টকাৰে নতুনকৈ নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে জানিবলৈ দিয়ে। অসমৰ চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহত নৱ জাগৰণ অনাৰ বাবে চৰকাৰে এই পদক্ষেপ লৈছে আৰু তাৰেই অংশ হিচাপে আজিৰ কাৰ্যসূচী বুলিও কয়। লগতে দুই বছৰৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব গুৱাহাটী ৰিং ৰোড প্ৰকল্প। বিমান বন্দৰলৈও ৰিং ৰোডৰ পৰা এলিভেটেড ক'ৰিডৰ হ'ব বুলিও কয়। দক্ষিণ পূব এছিয়াৰ দুৱাৰমুখ হিচাপে গুৱাহাটীয়ে আন এক পৰিচয় লাভ কৰিব। অসমৰ প্ৰতিখন জিলাতে উত্তৰ- দক্ষিণ পাৰক সংযোগ কৰি ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ হ'ব দলং। ইফালে অহা দুটা বছৰৰ ভিতৰত বিদ্যালয়ৰ নতুন গৃহ নিৰ্মাণৰ কাম শেষ হব বুলি সদৰি কৰি সভা আহ্বান নকৰাকৈয়ে দিল্লী অভিমুখে যাত্ৰা কৰাৰ উদ্দেশ্যেৰে বৰঝাৰ বিমানবন্দৰ অভিমুখে মুখ্যমন্ত্ৰী গৰাকী ৰাওনা হয়। উল্লেখ্য যে কম সময়ৰ বাবে উপস্থিত হোৱা মুখ্যমন্ত্ৰী গৰাকীৰ আগমণ উপলক্ষে পুৱা ৯ বজাৰ আগতেই বৃহত্তৰ অঞ্চলটোৰ কেবা শতাধিক লোক তেঁওক আদৰিবলৈ উপস্থিত আছিল যদিও সভাত ভাষণ নিদিয়াকৈ তেওঁ গুচি যোৱাত ৰাইজে কিছু অসন্তুষ্টি প্ৰকাশ কৰে।

## ENGLISH NEWS SECTION

# Assam Governor hands over radio sets and megaphones to Dima Hasao Autonomous Council

Guwahati,RB News- Assam Governor Shri Lakshman Prasad Acharya while concluding his two-day Dima Haso district visit, handed over radio sets and megaphones to Chief Executive Member of the Dima Hasao Autonomous Council Debolal Gorlosa under "Governor Assam Amrit Sarovar Sadbhavna Sangat Protsahan Yojana" in presence of Principal Secretary of the Council, and the District Commissioner of the district. It may be noted that the yojana was launched to transform Amrit Sarovars into centers of public engagement, encouraging greater community participation in nation-building exercises. The Governor as a part his visit, today also met representatives of social organizations, spiritual institutions, including ISKCON, Prajapita Brahmakumari, and Ramakrishna Mission and political organizations. During



his interaction with the organizations, Governor Shri Acharya encouraged everyone to actively participate in nation-building exercises by contributing to the well-being of society in their own capacities. He emphasized that life is an opportunity to bring happiness to others, as he said that meaningful efforts towards social progress can make a significant difference in the positive development of the society. Appreciating Dima Hasao and its natural beauty, the Governor said that Dima Hasao's cultural richness and its unity in diversity has made the state unique. He commended the peaceful coexistence of multiple demographic units, describing it as a shining example of inclusivity and mutual respect.

## Governor attends Busu Dima Festival





Guwahati,RB News- Assam Governor Shri Lakshman Prasad Acharya attended the Busu Dima Festival at Maibong degree College at Dima Hasao and conveyed his warm wishes to all the people. Speaking on the occasion, Governor Shri Acharya said, "Busu Dima Festival is not just an agricultural celebration, it is a symbol of our culture, traditions, and social unity. This festival gives us an opportunity to reaffirm the cardinal values of cooperation, hard work, and unity taught by our ancestors". He said, "Ours is an agrarian society where the main vocations of the people are associated with agriculture. Agriculture is not merely a means of livelihood; it is a foundation of our heritage. From sowing seeds to harvesting crops, each process has given birth to unique customs and festivals. One such festival is the Busu Dima Festival, which eulogize our intrinsic bond with the agriculture". He also hailed the Dimasa society for celebrating the Busu Dima festival which according to the Governor will give a thrust to agricultural practices.

## Assam Governor Pays Floral Tributes to Bir Chilarai



Guwahati,RB News- On the occasion of Bir Chilarai Divas, Assam Governor Shri Lakshman Prasad Acharya paid rich floral tributes to the bust of the legendary hero and remembered the role and contributions of this great Koch General at Raj Bhavan. Shri Acharya expressed deep reverence, stating, "I pay my respect to the great patriot. Bir Chilarai was a towering personality whose unflinching valour adorned his motherland and helped the people to remain invincible in the annals of our History." Further elaborating, Shri Acharya added, "We gather to honor the legacy of a legendary warrior, a symbol of courage and strategic brilliance. Bir Chilarai, a name that echoes through the annals of Assamese history has tremendous role in protecting our territory from the invaders". The Governor also urged the younger generation to emulate the spirit of patriotism and bravery that Bir Chilarai so profoundly displayed.

## RCB beat Gujarat Giants by 6 wickets



RB News- Defending champions Royal Challengers Bengaluru (RCB) defeated Gujarat Giants (GG) by six wickets in the WPL 2025 opener on Friday. RCB recorded their highest-ever successful run chase in WPL, chasing down a target of 202 with six wickets remaining. RCB's Richa Ghosh scored an unbeaten 64 off 27 balls.

## Ben Sears ruled out of Champions Trophy



RB News- On Friday, New Zealand Cricket suffered a major setback with fast bowler Ben Sears sustaining an injury. The Black Caps confirmed that the hamstring injury has ruled out pacer Ben Sears from the upcoming ICC Men's Champions Trophy 2025, with NZC calling in Jacob Duffy as his replacement.

## Team India Whitewash England 3-0 In ODI Series



RB News- India defeated England by 142 runs in the third ODI at Narendra Modi Stadium in Ahmedabad to register a 3-0 series whitewash. India scored 356/10 and dismissed England for 214 in 34.2 overs. Overall, it is the fourth time that India have whitewashed England in an ODI series.

# ভাৰতীয় সংবিধান ৰচনাৰ পটভূমি

আয়াৰ, কে কে মুন্সি, চৈয়দ মহম্মদ ছাদুল্লা, এন মাধৱ ৰাও আৰু ডি পি খায়তান।

এইখিনিতে ১৯৪৮ চনৰ জানুৱাৰী মাহত সংবিধানৰ খচৰা প্ৰকাশ পায় আৰু ইয়াৰ ওপৰত জনসাধাৰণৰ মতামত ব্যক্ত কৰিবৰ বাবে ৮ মাহ সময় দিয়া হয়। ১৯৪৯ চনৰ ২৬ নবেম্বৰত সংবিধান সভাৰ সভাপতি ড° ৰাজেন্দ্ৰ প্ৰসাদে খচৰা সংবিধানখনত স্বাক্ষৰ কৰে আৰু ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা সংবিধানখন সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰা হয়। তাৰ পিচতেই সংবিধান সভাত ভাৰতৰ সংবিধানখন গৃহীত হয় আৰু ভাৰত পৰিচালনাৰ নথিৰূপে পৰিগণিত হয়। সংবিধানখন ৰচনা কৰি ইয়াক সম্পূৰ্ণ কৰালৈকে ২ বছৰ ১১ মাহ ১৮ দিন সময় লাগিছিল। ভাৰতীয় সংবিধান প্ৰস্তুত কৰাৰ সময়ত পৃথিৱীৰ কেইবাখনো দেশৰ সংবিধানৰ কিছু বচা বচা আদৰ্শ ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে। সেই আদৰ্শ সমূহ হৈছে এনেধৰণৰ- বৃটিছ সংবিধান- সংসদীয় গণতন্ত্ৰ, আয়াৰলেণ্ড সংবিধান- ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতি, ফৰাছী সংবিধান- স্বতন্ত্ৰতা, সমতা, ভ্ৰাতৃত্ববোধ, মাৰ্কিন যুক্তৰাষ্ট্ৰ সংবিধান- মৌলিক অধিকাৰ, কানাডা, অষ্ট্ৰেলিয়া, দক্ষিণ আফ্ৰিকা- যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থা। আৰু সেই হেতুকে ভাৰতীয় সংবিধানখন পৃথিৱীৰ আটাইতকৈ বৃহৎ তথা দীৰ্ঘতম সংবিধান। ভাৰতীয় সংবিধানখনত ৩৯৫টা অনুচ্ছেদ, ২২টা অধ্যায় আৰু ১২টা অনুসূচী আছে।

ভাৰতীয় সংবিধান খনৰ যোগেদি ভাৰতবৰ্ষক এখন সাৰ্বভৌম, সমাজতান্ত্ৰিক, ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ ৰূপে ঘোষণা কৰা হৈছে আৰু ভাৰতীয় নাগৰিকসকলৰ বাবে ন্যায়বিচাৰ, সাম্য আৰু স্বাধীনতা সুনিশ্চিত কৰা হৈছে লগতে জাতীয় সংহতি ৰক্ষাৰ বাবে নাগৰিকসকলৰ পৰস্পৰৰ মাজত ভাতৃত্বভাৱ জাগ্ৰত কৰি তোলাৰ ক্ষেত্ৰত অনুপ্ৰেৰণা যোগাইছে।

আমি সংবিধানৰ প্ৰতি গভীৰ শ্ৰদ্ধা আৰু সংবিধানখন মানি চলাটো আমাৰ সকলোৰে মৌলিক কৰ্তব্য। আমি আমাৰ দেশৰ সংবিধানত বৰ্ণিত আদৰ্শবোৰ মানি চলি একতাৰে আমাৰ দেশ ভাৰতবৰ্ষক প্ৰকৃতাৰ্থত এক সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক, গণৰাজ্য হিচাপে গঢ়ি তুলিব পাৰিলেহে ড° ভীমৰাও আম্বেদকাৰ, এন গোপালস্বামী আয়েংগাৰ, আল্লাড কৃষ্ণ স্বামী আয়াৰ, কে কে মুন্সি, চৈয়দ মহম্মদ ছাদুল্লা, এন মাধৱ ৰাও আৰু ডি পি খায়তান আদিৰ দৰে মহান মনিষী যি অহোপুৰুষাৰ্থ শ্ৰম, সেয়া প্ৰকৃতাৰ্থত সাৰ্থক হৈ উঠিব।






ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286